চান্দমামা

ফেব্ৰুৱাৰি ১৯৮৫

যিদিনা মোৰ লৰাই দন্তছিদ্ৰ আৱিষ্কাৰ কৰিলে!
"মা, মা অনিলৰ দাঁতত পোকে ধৰিছে।"
"ওহো, সেইটো নহয়। ইয়াক বোলা হয় দন্তছিদ্ৰ।"
"এৰা, মই তাকেই কব খুজিছো। মই মোৰ দাঁতবোৰ দেখুৱালো। সোৱাদভৰা, ফেনভৰা টুথপেষ্টৰ কথাও কলো।"
"ফৰহেন্স ফ্লোৰাইদ সোণকণ।"
"এৰা ঠিকেই! মই কলো, তুমি ইয়াক ভাল বুলি কোৱা, সেয়ে মই ব্যৱহাৰ কৰো। মযো খুউব ভালপাও!"
"সঁচাকৈয়ে ভাল! আলু মজবুত কৰে, দাঁতক দীৰ্ঘায়ু প্ৰদান কৰে।"
"ও ঠিকেইতো! বাৰু মা, অলপ চকোলেট কেক খাওনে? শোৱাৰ আগতে আকৌ ব্রাছ কৰিম! হবনে মা?"
ফৰহেন্স
সোৱাদ আৰু ফেনভৰা ওই টুথপেষ্ট
দাঁত আৰু আলু-দুয়োবে সুৰক্ষা কৰে
FOR THE GUMS
Forhan's
with active FLUORIDE to check tooth decay

চান্দমামা

সংস্থাপক ঃ চক্ৰপাণি

সঞ্চালক ঃ বি নাগিৰেড্ডি

এই সংখ্যাৰপৰা 'তিৰিমিৰি তান্ত্ৰিক'ৰ সলনি এক নতুন সচিত্ৰ ধাৰাবাহিক আৰম্ভ হ'ল। এই কাহিনীভাগ ভালনে বেয়া তাৰ বিচাৰ একমাত্ৰ পাঠক-পাঠিকাসকলেহে কৰিব। মন্তব্য লিখি পঠিয়ালে আমি ভাল পাম। ভাল হ'লে ভাল, বেয়া পালে বেয়াকৈয়েই লিখিব। এই সংখ্যাৰ 'বেতাল-কথা' বৰ শিক্ষণীয়। আৰু, 'সমালোচক'ৰ কথা জানিবলৈ ২৭ পৃষ্ঠা পঢ়িব লাগিব আৰু তাৰ ফলত প্ৰকৃত সমালোচক সকলো সাৱধান হ'ব পাৰিব। 'ঈশ্বৰ-চিন্তাৰ প্ৰয়োজন নাই'—এই আচৰিত কথাষাৰ কোনে কৈছিল জানিবলৈ হ'লে এই সংখ্যাৰ 'বিষ্ণুকথা' অৱশ্যেই পঢ়ি চাব লাগিব।

অমৰ-বাণী

গ্ৰামস্তু শস্যহীনশ্চ স্বামীহীনম্ চ মন্দিৰম্।
পন্থাঃ সহায়শূন্যশ্চ ৰুদ্ৰভূমিসমাঃ স্মৃতাঃ॥

[শস্য নোপজা গাঁও, গৃহস্থ নোহোৱা ঘৰ, আৰু সংগীবিহীন পথ—এই আটাইবোৰেই শ্মশানৰ সমতুল্য।]

বছৰ ঃ ৯ ফেব্ৰুৱাৰি ১৯৮৫ সংখ্যা ঃ ১১

খনে : ২'০০ টকা : বছৰেকীয়া বৰঙণি : ২৪'০০ টকা

A CHANDAMAMA PUBLICATION

চান্দমামাৰ খুতুৰা-খবৰ

সাৰে থকাৰ ৰেকৰ্ড

ইংলেণ্ডৰ মৰিছ বেছনে ৪৩২ ঘণ্টা ১৭ মিনিট একেবাহে সাৰে থাকি ১৯৭৭ চনৰ ৰেকৰ্ড ভংগ কৰিলে। সম্প্ৰতি কেনাডাৰ ভিক্টৰ জাবো নামৰ এজন ছাত্ৰই ৪৩২ ঘণ্টা ২০ মিনিট সাৰে থাকি অতীতৰ সকলো ৰেকৰ্ড ভংগ কৰিলে।

এঠেঙীয়া হৈ থকাৰ ৰেকৰ্ড

শ্ৰীলংকাৰ কুমাৰ আনন্দন্ নামৰ এজন ল'ৰাই একেবাহে ৩৩ ঘণ্টালৈ এঠেঙীয়া হৈ থিয় হৈ থাকি এই বিষয়ত অতীতৰ সৰ্বপ্ৰকাৰৰ ৰেকৰ্ড ভংগ কৰিলে।

মেধাৱী ল'ৰা

বেলগ্ৰেডৰ দহ বছৰীয়া ল'ৰা মাইড'বাগ মিয়োলৱৰে ২০ বছৰীয়া যুৱকহঁতে পঢ়িবপৰা কিতাপ পঢ়াৰ বাবে বিশ্ববিদ্যালয়ৰপৰা অনুমতি পালে। বিজ্ঞান আৰু গণিতত তাৰ অসাধাৰণ স্মৃতিশক্তিৰ পৰিচয় পোৱা গৈছে। এই ল'ৰাটিয়ে তাৰ জন্মৰ সাত মাহৰ ভিতৰত মাত-বোল কৰিব পাৰিছিল আৰু দুবছৰৰ ভিতৰত কিতাপ পঢ়াৰ ক্ষমতা লাভ কৰিছিল।

জানিবলগীয়া

১। মহাকাশত কৃত্ৰিম উপগ্ৰহ স্থাপনৰ চিন্তা পোনপ্ৰথমে কোনে কৰিছিল?

২। কোন বিখ্যাত ব্যক্তিয়ে দাঁতৰে সৈতে জন্মগ্ৰহণ কৰিছিল?

৩। কোন বিখ্যাত মহিলাই সদায় তেওঁৰ জেপত কেঁচা এটা কটিয়াই লৈ ফুৰিছিল?

৪। কোনজন বিখ্যাত ব্যক্তিয়ে বিশ্বত সৰ্বপ্ৰথমে দাঢ়ি খুৰাইছিল?

[উত্তৰ : ৬৪নং পৃষ্ঠাত]

বুদ্ধিৰ তুলাচনী

সুন্দৰনগৰত মহেন্দ্ৰগুপ্ত নামৰ এজন ব্যৱসায়ী আছিল। মহেন্দ্ৰগুপ্তৰ কোনো ল'ৰা নাছিল, আছিল এজনীমাত্ৰ ছোৱালী। ছোৱালীজনীৰ নাম আছিল বৎসলা। যোগ্য পাত্ৰৰ সৈতে যোৰা পাতি দি ব্যৱসায়ৰ দায়িত্ব সেই পাত্ৰ তথা জোৱাঁয়েকৰ ওপৰত অৰ্পণ কৰিব— মহেন্দ্ৰগুপ্তৰ মনৰ বাসনা আছিল এয়ে।

মনৰ কথা মহেন্দ্ৰই তেওঁৰ পৰিবাৰক ক'লে। পৰিবাৰে তেওঁৰ চিনাকি এঘৰত বৎসলাক বিয়া দিবলৈ ক'লে। আনহাতে মহেন্দ্ৰৰ মন আছিল আনত। দুয়োজন পাত্ৰৰ ঘৰ আছিল বহু দূৰত।

ইপিনে—মহিম নামৰ এজন যুৱক আছিল মহেন্দ্ৰগুপ্তৰ কৰ্মচাৰী। মহেন্দ্ৰই মহিমৰ সৈতে বৎসলাৰ বিয়া-ঘটিত কথা পাতি থাকোঁতে মহিমে বিনীতভাৱে ক'লে মহেন্দ্ৰক, "মোৰ মনৰ কথা আপোনাক কওঁনে ?"

"এ—ইমান কাও-বাও কৰিব নালাগে নহয়? কোৱাঁ কি ক'বা।" মহেনে ক'লে।

"কুন্দনৰ সৈতে বৎসলাৰ বিয়া পতা হওক—এয়ে আপোনাৰ পৰিবাৰৰ ইচ্ছা। আৰু—আপোনাৰ নিজৰ ইচ্ছা হ'ল চন্দনৰ লগত। গতিকে—আপুনি যদি কুন্দন আৰু চন্দনৰ মাজত পৰীক্ষা লয়—বেয়া নহ'ব চাগৈ।" মহিমে ক'লে॥

"সিহঁতৰ পৰীক্ষা—কি প্ৰকাৰে লওঁ ?" মহেনে মহিমক সুধিলে।

সিহঁতক—দুয়োজনকে—আপুনি সুবৰ্ণ-দেশলৈ পঠাওক। আৰু তাত কেনেধৰণৰ ব্যৱসায় ভালকৈ চলিব তাৰ বুজ ল'বলৈ

'জ্ঞানদাস'



কওক। আপুনি আপোনাৰ জোঁৱায়েকৰ হাতত ব্যৱসায় গটাই দিব খুজিছে,—হয়নে নহয়? গতিকে—সিহঁতৰ দুজনৰ মাজত যিজনে তাত ব্যৱসায়ৰ সঠিক বুজ ল'ব পাৰিব, তাক আপুনি বৎসলাৰ দৰা হিচাপে বাছি ল'ব।” মহিমে বুজাই ক'লে মহেন্দ্রক।

“সুবৰ্ণদেশতনো কোন ব্যৱসায় হ'ব? এইখন দেশৰ নামৰ মাজতে মাহাত্ম্য আছে, কামত একো নাই। একেৰাহে দুবছৰ ধৰি বৰষুণ নোহোৱাত সুবৰ্ণদেশত আকাল-অনাটন চলি আছে। তাত ব্যৱসায়ৰ সুবিধা নোলাব।” মহেনে ক'লে।

“সেই কাৰণেহে তালৈ পঠাবলৈ কৈছোঁ সিহঁতক। সম্পদশালী দেশত যেইসেই মানুহে ব্যৱসায় কৰিব পাৰে। কিন্তু যিখন দেশত আকালেই আকাল—তাত ব্যৱসায় কৰাৰ মাজতহে আছে বুদ্ধিৰ পৰিচয়। এই পৰীক্ষাৰ মাজেদিয়েইহে সেই দুজনৰ বুদ্ধি, দূৰদৃষ্টি তথা দক্ষতাৰ বুজ লোৱা যাব।” মহিমে ক'লে।

মহিমৰ কথাটো পেলনীয়াবিধৰ নহয়—মহেনে উপলব্ধি কৰিলে। তেওঁ কুন্দন আৰু চন্দনক সুবৰ্ণদেশলৈ পঠালে। কিছুদিনৰ অন্তত সিহঁত দুয়ো উভতি আহিল। তাৰ পাছত মহেন্দ্রই প্রথমে কুন্দনক মতাই পঠালে। তাত তেতিয়া মহিমো বহি আছিল। মহেন্দ্রই কুন্দনক তাৰ অভিজ্ঞতা বিবৰিবলৈ ক'লে।

কুন্দনে ক'লে, “যিকোনো ঠাইত নতুনকৈ ব্যৱসায় কৰিবলৈ হ'লে যে কেতবোৰ বিষয়ত যথেষ্ট দৃষ্টি দিব লাগে, আপুনি নিশ্চয় জানে। তথাপি যে আপুনি কিয় মোক সেই সুবৰ্ণদেশলৈ পঠালে—মই কিন্তু ঠাৱৰ কৰিব পৰা নাই। সেইদেশৰ আ-অৱস্থা আপুনি জানেই। পিছে—তাৰ অৱস্থা আপুনি জনাতকৈয়ো ভয়ংকৰ। তথাপি—তাত যদি ধান-চাউল বা তেনে ধৰণৰ খাদ্যবস্তুৰ

ব্যৱসায় কৰা হয়—তেনেহ'লে সহজতে লাখ লাখ টকাৰ ব্যৱসায় হ'ব বুলি মোৰ ধাৰণা।"



তাৰ পাছত মহেন্দ্ৰই চন্দনকো একেই-বোৰ প্ৰশ্ন কৰিলে। চন্দনে ক'লে, "স্বুৰ্ণদেশত সম্ভৱতে কাপোৰৰ কাৰবাৰ কৰিব পাৰি। কিয়নো প্ৰতিজন স্বুৰ্ণ-দেশবাসীৰ পিন্ধনত ফটাকানি থকাটো মই লক্ষ্য কৰিছোঁ।" এইবুলি কৈ চন্দন তাৰপৰা গুচি গ'ল।

দুয়ো গুচি যোৱাৰ পাছত মহেন্দ্ৰগুপ্তই মহিমক ক'লে, "যদিও মোৰ ইচ্ছা আছিল চন্দনৰ সৈতে বৎসলাৰ বিয়া দিয়াৰ আৰু মোৰ পৰিবাৰৰ ইচ্ছা আছিল কুন্দনৰ সৈতে — তথাপি — দুয়োজনৰ মাজত কুন্দনৰহে দূৰদৃষ্টি অধিক থকা যেন পাইছোঁ। কিয়নো চন্দনে স্বুৰ্ণদেশৰ আকাল-অনাটন প্ৰত্যক্ষভাৱে দেখা পোৱা সত্বেও কাপোৰৰ কাৰবাৰ কৰিবলৈহে প্ৰস্তাৱ দিছিল। কিন্তু মানুহৰ ওচৰত খাদ্যতকৈ প্ৰয়োজনীয় আন একো নাই বুলিয়েই মই ভাবোঁ। খাদ্য পোৱাৰ পাছতহে পিন্ধনৰ কথা চিন্তিব মানুহে। এতেকে—মোৰ মতে কুন্দনেই হ'ব বৎসলাৰ যোগ্য পাত্ৰ।"

মহিমে ক'লে, "আপোনাৰ কথা সঠিক বুলি মই মানি ল'ব নোৱাৰোঁ। সূক্ষ্মভাৱে ভাবি চালে চন্দনৰ বাস্তৱজ্ঞান যে বহু বেছি, সেই কথাত আপুনিও একমত হ'ব।"

মহেন্দ্ৰগুপ্তই অবাক হৈ ক'লে, "মই তোমাৰ বক্তব্য বুজা নাই।"

"যিবিলাক বিষয় সকলোটিয়েই দেখা পায় কুন্দনেও সেইবিলাকেই দেখিছিল। কিন্তু প্ৰকৃত দূৰদৃষ্টি থকাজনে আনে নেদেখা বস্তুহে দেখিব। যিটো বস্তুৰ অভাৱ এতিয়াও আছে আৰু ভৱিষ্যততো থাকিব—সেই বস্তুটোৱেই চন্দনে দেখা পাইছিল। কুন্দনে ধানৰ কথা কৈছিল।

কিন্তু সেই দেশৰ ৰজাৰ অনুমতি বিনে আপুনি ধান পঠাব নোৱাৰিব। ৰজাই অনুমতি নিদিয়ে। আৰু—যদি গোপনে ধান পঠায়, সেই দেশৰ দৰিদ্ৰ প্ৰজাই সেই ধান লুট কৰিব।" মহিমে ক'লে।

"কিন্তু—ধান কিনিব নোৱৰা প্ৰজাইনো কাপোৰ কিনিব কেনেকৈ?" মহেন্দ্ৰ অবাক হৈ সুধিলে।

"চন্দনে এতিয়াই তাত কাপোৰৰ কাৰবাৰৰ কথা কোৱা নাছিল। 'যদি সুবৰ্ণদেশতে কাৰবাৰ কৰিব লাগে' বুলি সি কৈছিল। তাৰ এই কথাৰ মাজতে তাৎপৰ্য্য নিহিত আছে। আমাৰ দেশত অসংখ্য তাঁতী এতিয়া কৰ্মহীন। এই ছেগতে আপুনি যদি সিহঁতক কামত লগাই দিয়ে—নিকট ভৱিষ্যতে লাভজনক ব্যৱসায় হ'ব।" মহিমে ক'লে।

মহেন্দ্ৰগুপ্তই অলপ পৰলৈ তাপ মাৰি থকাৰ পাছত ক'লে, "তোমাৰ কথাত যুক্তি নথকা বুলি মই নকওঁ। কিন্তু তাত যেতিয়া আকাল চলিছে—তেতিয়া কাপোৰৰ কাৰবাৰ কৰিবলৈ পঠোৱাটো উচিত হ'বনে?"

যিকোনো দেশতে চিৰকাল ধৰি আকাল নাথাকে। অহা বছৰ নিশ্চয় বৰষুণ দিব তাত, খেতি-বাতি হ'ব, আকাল গুচিব। আৰু তেতিয়া—খাদ্য থকা সত্বেও কাপোৰ-কানিৰ তীব্ৰ অভাৱে দেখা দিব। তেতিয়া যে তাত খাদ্যতকৈ কাপোৰৰ ব্যৱসায়তহে অধিক সুবিধা হ'ব, সেই কথা ধুৰুপ।" মহিমে ক'লে।

অতঃপৰ, মহেন্দ্ৰগুপ্তই চন্দনৰ সৈতেহে বৎসালৰ বিয়া পাতিলে।

বিয়াৰ দুই-তিনি বছৰৰ পাছত চন্দনে সুবৰ্ণদেশত ব্যৱসায় কৰি তাৰ যোগ্যতাৰ প্ৰমাণ দাঙি ধৰিছিল। আৰু মহিমে মহেন্দ্ৰৰ ওচৰত দাঙি ধৰিছিল তাৰ সঠিক তথা বাস্তৱ বিচাৰ-বুদ্ধিৰ প্ৰমাণ।

কাঁহৰ কিল্লা

মহিষ্মতি দেশৰ ৰজা যশোবৰ্ধন তেওঁৰ সুদীৰ্ঘ ষাঠি বছৰীয়া ৰাজত্বকাল সুকলমে পৰিচালনা কৰাৰ অন্তত হঠাৎ এদিন বৰ চিন্তিত হৈ পৰিল। তেওঁৰ এই চিন্তাৰ হেতু আছিল তেওঁৰ পুত্ৰদ্বয়।

ৰজা যশোবৰ্ধনৰ দুই পুত্ৰৰ মাজত ডাঙৰজনৰ নাম তপোবৰ্ধন আৰু সৰুজনৰ নাম গুণবৰ্ধন। তপোবৰ্ধন তেতিয়া পঁচিছ বছৰীয়া। কিন্তু আচৰিত কথা স্বাভাৱিক সামাজিক জীৱনৰ প্ৰতি তাৰ আকৰ্ষণ নাই। তেওঁ সদায় ধৰ্মগ্ৰন্থ অধ্যয়ণ আৰু পণ্ডিত লোক সকলৰ সৈতে বিভিন্ন প্ৰকাৰৰ ধৰ্মালোচনা আদিত মগ্ন থাকিছিল, সংসাৰলৈ আকৰ্ষণ নাছিল।

স্বাভাৱিক মনুষ্য-জীৱনত অৰ্থাৎ গাৰ্হস্থ তথা সাংসাৰিক জীৱনৰ মায়-মোহ আদি স্বাভাৱিক আকৰ্ষণ সমূহত ৰজা যেোবৰ্ধনৰ জ্যেষ্ঠ পুত্ৰ তপোবৰ্ধন আছিল অতি আসক্তিহীন।

কিন্তু যশোবৰ্ধনৰ কনিষ্ঠ পুত্ৰ গুণবৰ্ধন আছিল তপোবৰ্ধনৰ একেবাৰে বিপৰীত। সি আছিল মিছলীয়া, কপট আৰু কৌশলী। তাৰ আছিল অসংখ্য বন্ধু-বান্ধৱ। তাৰ বন্ধু-বান্ধৱহঁতো আছিল তেনে-কুৱা। গুণবৰ্ধনে কেতিয়াও ধৰ্মাধৰ্মলৈ মূৰ নঘমাইছিল।

জীৱনৰ শেষ কালছোৱা ধৰ্মকৰ্মৰ মাজেদি অতিবাহিত কৰাৰ মন আছিল

ৰজা যশোবৰ্ধনৰ। তেওঁ মনতে ভাবিছিল যে বাৰ্ধক্যৰ কালছোৱা কোনোবা আশ্ৰমত কটাই দিব। কিন্তু যোগ্য কাৰোবাক সিংহাসনত অধিষ্ঠিত নকৰাকৈ তেওঁ বিদায় লয় কেনেকৈ? আৰু—সিংহাসনত অধিষ্ঠিত কৰিবনো কাক?

তপোবৰ্ধন সিংহাসন তথা দেশ শাসনৰ পক্ষে যোগ্য নহয়। যাৰ মন সদা-সৰ্বক্ষণ ধৰ্মচিন্তাত মগ্ন সিনো দেশ শাসন কৰিব কেনেকৈ? আৰু গুণবৰ্ধন—সি যে ৰজা হোৱাৰ একেবাৰে অযোগ্য সেই কথাত ৰজাৰ মনত সন্দেহৰ থল নাই। গুণবৰ্ধনক সমাজ-বিৰোধী বুলিও ক'ব পাৰি। তাৰ বন্ধু-বান্ধৱহঁতো আছিল অসৎ প্ৰকৃতিৰ। গুণবৰ্ধনৰ পক্ষে নিজকে পৰিৱৰ্তিত কৰাৰ সম্ভাৱনা প্ৰায় নাই বুলিয়েই ক'ব পাৰি। কিন্তু—তথাপি—

ৰজা যশোবৰ্ধনে ভাবিলে: দেশ শাসনৰ দায়িত্ব পালে কিজানি গুণবৰ্ধন পৰিৱৰ্তিতো হ'ব পাৰে।

ৰজা যশোবৰ্ধনে এই বিষয়টো লৈ তেওঁৰ মন্ত্ৰী আৰু সামন্ত ৰজাসকলৰ সৈতে আলোচনাত বহিল।

মন্ত্ৰী বা সামন্ত ৰজাসকলৰ মাজত গুণবৰ্ধনক সিংহাসনত অধিষ্ঠিত কৰাৰ সমৰ্থক এজনো নাছিল। এই ক্ষেত্ৰত আন এষাৰ গুৰুত্বপূৰ্ণ কথা আছিল এয়ে যে—ডাঙৰ পুত্ৰ তপোবৰ্ধনক ৰজা নাপাতিলে প্ৰজাবৰ্গৰ মনত সংশয়-সন্দেহৰো সৃষ্টি হ'ব পাৰে। ডাঙৰক সিংহাসনৰপৰা বঞ্চিত কৰা হ'ল কিয়? এই কথাত সমগ্ৰ দেশত অৰাজকতায়ো মূৰ দাঙিব পাৰে। এইবোৰ কথা ভাবি, মন্ত্ৰীবৰ্গ আৰু সামন্তৰজাসকলে একমত হৈ তপোবৰ্ধনকে ৰজা পাতিবলৈ পৰামৰ্শ দিলে ৰজা যশোবৰ্ধনক।

কিন্তু এই পৰামৰ্শ যশোবৰ্ধনৰ মনঃপূত নহ'ল। কিয়নো, তপোবৰ্ধনক ৰজা পাতিলে তপোবৰ্ধনে নিশ্চয় মন্ত্ৰী আৰু

সামন্তৰজাসকলৰ কথামতে চলিব, তপো-বৰ্ধনে নিজে কোনো প্ৰকাৰৰ সিদ্ধান্ত ল'ব নোৱাৰিব, সি হ'বগৈ মন্ত্ৰীবৰ্গ আৰু সামন্তৰজাসকলৰ হাতৰ পুতলা মাথোন।

কাক সিংহাসনত অধিষ্ঠিত কৰা উচিত হ'ব--এই কথা দিনে-নিশাই চিন্তা কৰি কৰি ৰজা যশোবৰ্ধন অৱশেষত এটা সিদ্ধান্তলৈ আহিল। তাৰপাছত তেওঁ দেশৰ বিশিষ্ট ব্যক্তিবৰ্গ আৰু সামন্ত ৰজা-সকলক মতাই অনাই, তেওঁৰ সৰু ল'ৰা গুণবৰ্ধনক সিংহাসন প্ৰদানৰ ইচ্ছা প্ৰকাশ কৰিলে। কাকো নোকোৱাকৈ এই কাৰ্য্য কৰাটো যে অসমীচীন হ'ব, সেই কথা অনুধাৱন কৰিয়েই ৰজা যশোবৰ্ধনে এওঁ-লোকক মতাই অনাইছিল। কিন্তু তেওঁ-লোকৰ মনত এটা প্ৰশ্ন জাগিল—গুণবৰ্ধনক ৰজা পতাৰ পাছত বৰপুত্ৰ তপোবৰ্ধনে বিদ্ৰোহ নকৰিবনে?

কিন্তু যশোবৰ্ধনৰ আগত এই কথা কোৱাৰ সাহস কাৰো নাছিল। তেতিয়া বীৰপুৰৰ সামন্তৰজা সূৰ্য্যবৰ্মাই হঠাৎ কৈ উঠিল, "মহাৰাজ, যদি বেয়া নাপায়—কথা এটা কওঁনে? আমাৰ সৰু ৰাজ-কোঁৱৰ গুণবৰ্ধনৰ জীৱন যাপন-পদ্ধতি ৰাজকোঁৱৰৰ দৰে নহয়। ৰাজ-সিংহাসনত অধিষ্ঠিত হ'বপৰা গুণাৱলী গুণবৰ্ধনৰ

মাজত নাই—একেবাৰেই নাই।"

সন্মিলনত উপস্থিত থকা ব্যক্তিবৰ্গই হৰ্ষধ্বনি কৰি প্ৰকৃতপক্ষে সূৰ্য্যবৰ্মাৰ বক্তব্যলৈ সমৰ্থন জ্ঞাপন কৰিলে। তাৰ পাছত, ব্যক্তিবৰ্গৰ মাজত কিছুমানে ৰজা যশো-বৰ্ধনক অনুৰোধ কৰিলে আৰু কিছুকাললৈ ৰজা হিচাপে থাকিবলৈ। আৰু, ইতিমধ্যে তেওঁ যাতে তেওঁৰ বৰপুত্ৰ তপোবৰ্ধনক ৰাজনৈতিক চেতনাসম্পন্ন কৰি তোলে—তাৰ বাবেও তেওঁলোকে ৰজা যশোবৰ্ধনক অনুৰোধ কৰিলে।

সভাৰ মনোভাৱ উপলব্ধি কৰি যশো-বৰ্ধন মনে মনে থাকিল। কিয়নো,

গুণবৰ্ধনক সিংহাসন দিলে যে দেশত তৎক্ষণাৎ অশান্তিৰ সৃষ্টি হ'ব—সেই কথাটি তেওঁ ভালকৈ বুজি পাইছিল। আৰু, সূৰ্য্যবৰ্মাৰ নেতৃত্বত সেই অশান্তিয়ে যে অৰাজকতাৰ ৰূপ ল'ব পাৰে, তাৰ ফলত দেশ খণ্ডিত হ'ব পাৰে—সেই কথাতো তেওঁ চিন্তিত হৈ পৰিছিল।

সভা সমাপ্ত হোৱাৰ অন্তত যশোবৰ্ধন উদ্যানলৈ গ'ল মহামন্ত্ৰীক লগত লৈ। তেওঁ তাত মহামন্ত্ৰীৰ সৈতে বিশদ আলোচনা কৰিলে। মহামন্ত্ৰীয়ে ৰজাক পৰামৰ্শ দিলে সামন্ত সূৰ্য্যবৰ্মাৰ সৈতে আলোচনা কৰিবলৈ। সামন্ত ৰজাসকলৰ মাজত সূৰ্য্যবৰ্মায়েই সবাতকৈ শক্তিশালী, সাহসী তথা বুদ্ধিমান। এই পালিৰজাক ৰজাই হাতত ৰাখিলে সকলোফালৰেপৰাই মংগল—মন্ত্ৰীয়ে ক'লে।

তেতিয়া ৰজাই তেওঁৰ মহামন্ত্ৰীৰ পৰামৰ্শ অনুসাৰে সূৰ্য বৰ্মাক এই উদ্যানলৈ মতাই অনালে। ৰজা যশোবৰ্ধনে পালি ৰজা সূৰ্য্যবৰ্মাক তেওঁৰ কাষতে বহুৱাই লৈ ক'লে, "সূৰ্য্যবৰ্মা, তুমি সভাত যি কথা কৈছিলা- সেই কথা মোৰ মনখোৱা কথা নহয়; যদিও তোমাৰ নিৰ্ভীকতাৰ মই শলাগ নলৈ নোৱাৰোঁ। তোমাৰ দৰে সালিয়াল সামন্তৰজ এজনে যদি গুণৱৰ্ধনক সহায় কৰে, তেনেহ'লে তাৰ পক্ষে দেশ শাসনৰ দায়িত্ব পালন কৰালৈ মূঠেই কষ্ট-



কৰ নহ'ব। গতিকে—তোমাৰপৰা ভৰসা পালেহে মই গুণবৰ্ধনক সিংহাসন প্ৰদান কৰিব পাৰোঁ।"

"মহাৰাজ, আপোনাৰ জ্যেষ্ঠপুত্ৰ তপোবৰ্ধন ধৰ্মৰ প্ৰতি অনুৰক্ত। তাৰ নিচিনা সত্যনিষ্ঠ যুৱকক বঞ্চিত কৰি আপুনি যদি ভোগ-বিলাসী গুণবৰ্ধনক ৰজা পাতে—প্ৰজাবৰ্গই প্ৰসন্নতাৰে মানি নল'ব। প্ৰজাবৰ্গই এই কাৰ্য্যক তপোবৰ্ধনৰ প্ৰতি অন্যায়-অবিচাৰ কৰা বুলি ভাবি আপোনাৰ বিৰুদ্ধে মাত মাতিব।" সূৰ্য্যবৰ্মাই যশোবৰ্ধনক ক'লে।

"চোৱা সূৰ্য্যবৰ্মা, তোমাৰ কথাত মই কিজানি সন্মতি দিলোহেঁতেন ; কিন্তু মোৰ জ্যেষ্ঠপুত্ৰ তপোবৰ্ধনৰ ৰাজনৈতিক জ্ঞান তথা সামাজিক বোধ যে কিমান কম, তুমি বোধ কৰোঁ নাজানা। কেৱল ভদ্ৰ, ধাৰ্মিক বা ন্যায়ৱন্ত হ'লেই যে দেশ-শাসন কৰিব নোৱাৰি তুমিও নিশ্চয় স্বীকাৰ কৰিবা। গতিকে—জানি-বুজিও তাক এই সিংহাসন প্ৰদান কৰাৰ অৰ্থ হ'ব দেশত অৰাজকতাকহে ৰাজত্ব কৰিবলৈ আহ্বান কৰা।" ৰজা যশোবৰ্ধনে পালিৰজা সূৰ্য্যবৰ্মাক ক'লে।

"মহাৰাজ, আপোনাৰ জ্যেষ্ঠপুত্ৰৰ ৰাজনৈতিক তথা সামাজিক জ্ঞান হোৱালৈ চেষ্টা কৰিব পৰা যায়। আৰু—সিংহাসনৰ দায়িত্ব মূৰ পাতি ল'লে যে তপোবৰ্ধন

যথেষ্ট সতৰ্ক হ'ব, সেই কথাতো মই নিশ্চিত।" সূৰ্য্যবৰ্মাই ক'লে।

তেতিয়া যশোবৰ্ধনে তেওঁৰ মহামন্ত্ৰীলৈ চালে তেওঁৰ মতামত জানিবলৈ। মহামন্ত্ৰীয়ে ইংগিতেৰে ৰজাক ক'লে সূৰ্য্যবৰ্মাৰ পৰামৰ্শ গ্ৰহণ কৰিবলৈ।

মহামন্ত্ৰীৰপৰা ইংগিত পাই ৰজাই সূৰ্য্যবৰ্মাক ক'লে, "সূৰ্য্যবৰ্মা, তুমি যেতিয়া তপোবৰ্ধনৰ বিষয়ে ইমানেই আস্থাৱান তোমাৰ ওচৰতে তাক এবছৰলৈ ৰাখিম বুলি ভাবিছোঁ। তোমাৰ ওচৰত থাকি সি এইবোৰ ৰাজনৈতিক কলা-কৌশল তথা সামাজিক জ্ঞান বিশদকৈ অৰ্জন কৰক।"

ৰজাৰ এই প্ৰস্তাৱত সূৰ্য্যবৰ্মাই তৎক্ষণাৎ সন্মতি দিলে। সূৰ্য্যবৰ্মাই যশোবৰ্ধনক ক'লে যে, বীৰপুৰৰ শাসন-ভাৰ তেওঁ তেওঁৰ পুত্ৰ চন্দ্ৰবৰ্মাৰ হাতত গটাই দিব আৰু নিজে যশোবৰ্ধনৰ ৰাজধানীত থাকি তপোবৰ্ধনৰ দায়িত্ব ল'ব।

সূৰ্য্যবৰ্মাৰ প্ৰস্তাৱত ৰজা যশোবৰ্ধন আনন্দিত তথা আশ্বস্ত হ'ল।

ইপিনে—ৰজা যশোবৰ্ধন আৰু সূৰ্য্যবৰ্মাৰ মাজত যেতিয়া এনেবোৰ গঠনমূলক আলাপ-আলোচনা চলি আছিল, তেতিয়া আনপিনে চলি আছিল সূৰ্য্যবৰ্মাক হত্যাৰ এক গভীৰ চক্ৰান্ত। এই চক্ৰান্তৰ নেতা আছিল সৰ্পকেতু নামৰ অন্য এজন পালিৰজা। সূৰ্য্যবৰ্মাক হত্যা কৰিবলৈ সৰ্পকেতুৱে বহুদিনৰেপৰাই ছেগ চাই আছিল। ইমান দিনৰ অন্তত, গুণবৰ্ধনক হাত কৰি, তাৰপৰা সহায় পাই, সৰ্পকেতুৱে সাপৰ দৰে ফেঁট মেলিলে।

ৰজা যশোবৰ্ধনক পৰামৰ্শ প্ৰদানৰ কথা গুণবৰ্ধনে বিভিন্ন সূত্ৰেৰে জানিব পাৰিছিল আৰু সূৰ্য্যবৰ্মাৰ ওপৰত ক্ৰুদ্ধ হৈ উঠিছিল। সূৰ্য্যবৰ্মাক হত্যা কৰিবলৈ গুণবৰ্ধনে তাৰ বন্ধুহঁতৰপৰা সহায় খোজাত বন্ধুহঁতে অক্ষমতা প্ৰকাশ কৰিলে। তেতিয়া

গুণবৰ্ধনে সৰ্পকেতুৰপৰা সহায় প্ৰাৰ্থনা কৰিলে আৰু সৰ্পকেতু লগে লগে ৰাজী হৈ গ'ল। সৰ্পকেতু আৰু গুণবৰ্ধনৰ মাজত দীৰ্ঘ আলোচনা চলিল। ক'ত কেনেকৈ সূৰ্য্যবৰ্মাক হত্যা কৰা হ'ব স্থিৰ কৰা হ'ল। পাহাৰ আৰু অটব্য অৰণ্যেৰে আগুৰা অঞ্চলৰ মাজেদি যেতিয়া সূৰ্য্যবৰ্মা নিজ ৰাজ্যলৈ গৈ থাকিব, তেতিয়া তাক আক্ৰমণ কৰা হ'ব।

গুণবৰ্ধনে সৰ্পকেতুক ক'লে, "সৰ্পকেতু, সূৰ্য্যবৰ্মাক হত্যা কৰাত যদি তুমি সফল হ'ব পাৰা, তেনেহ'লে ভৱিষ্যতত তুমি বহু বিধৰ সা-সুবিধা পাই থাকিবা। মোৰ সিংহাসন-প্ৰাপ্তিৰ বাটত একমাত্ৰ বাধা হ'ল এই সূৰ্য্যবৰ্মা। তাক যেনেতেনে মাৰি পেলাব পাৰিলে সিংহাসন মোৰ।"

"ঠিক কথা কৈছা। এইবোৰ ক্ষেত্ৰত কি কৰিব লাগিব—সেই কথা মই আগতেই ভাবি থৈছোঁ। কেৱল সূৰ্য্যবৰ্মাক হত্যা কৰিলেই নহ'ব, তাৰ পুতেক চন্দ্ৰবৰ্মায়ো যাতে ৰজা হ'ব নোৱাৰে তাৰ ব্যৱস্থাও ল'ব লাগিব। মোৰ সৈন্যইঁতে সাধাৰণ নাগৰিকৰ সাজ-পাৰ পিন্ধি সূৰ্য্যবৰ্মাৰ প্ৰাসাদ আক্ৰমণ কৰিবগৈ। আৰু এই বাতৰি ৰজা যশোবৰ্ধনৰ ওচৰলৈকো পঠোৱা হ'ব।

তেওঁক কোৱা হ'ব যে অত্যাচাৰী সূৰ্য্যবৰ্মাক তেওঁৰ প্ৰজাইঁতে মাৰি পেলাইছে। অৰ্থাৎ—সূৰ্য্যবৰ্মা অতি অত্যাচাৰী সামন্ত-ৰজা—এই কথাটো নিয়াৰিকৈ ৰজা যশোবৰ্ধনৰ আগত দাঙি ধৰিব লাগিব।" সৰ্পকেতুৱে ক'লে।

"চোৱাঁ সৰ্পকেতু, তোমাক এটা কথা কৈ থওঁ। তোমাৰ কৰিব লগাখিনি তো তুমি কৰিবাই, ময়ো হাত সাবটি বহি থকা বিধৰ নহওঁ। সূৰ্য্যবৰ্মাক—ওভোতা বাটত হত্যা নকৰি তাৰ নিজৰ ঠাইত হত্যা কৰিব পাৰিলেহে ভাল। তেতিয়া —সূৰ্য্যবৰ্মা যে এটা অত্যাচাৰী পালিৰজা,

সেই কথা ময়ো মোৰ দেউতাক ক'ব পাৰিম।" গুণবধৰ্ধনে ক'লে। গুণবৰ্ধনৰ কথাত সৰ্পকেতুৰ নধৰ-নপৰ লাগিল।

ইপিনে—সূৰ্য্যবৰ্মাৰ তেতিয়া একমাত্ৰ চিন্তা: তপোবৰ্ধনক মাহিষ্মতি দেশৰ সিংহাসনৰ যোগ্য কৰি তুলিব লাগিব।

ঠিক একেদৰেই সৰ্পকেতুৱে তেতিয়া ভাবি আছিল: যেনেতেনে সূৰ্য্যবৰ্মাক খতম কৰিব পাৰিলেই হ'ল। তেতিয়া গুণবৰ্ধন ৰজা হ'বই, আৰু মোৰ অঞ্চলৰ সীমাও বাঢ়িবই।

এনেবোৰ সুখৰ সপোন সাজি, সৰ্পকেতুৱে জোপ লৈ ৰৈ থাকিল।

কিন্তু এইবোৰ আয়োজনৰ কথা সূৰ্য্যবৰ্মাই গমকে পোৱা নাছিল। তেওঁ এদিন গধূলিৰ আগে আগে ৰাজধানীৰপৰা নিজ ৰাজ্যলৈ বুলি ওলাল। তেওঁৰ লগত আছিল মাত্ৰ ছজন অনুচৰ। ৰাতি এঠাইত খপি, পাছদিনা ৰাতিপুৱাতে আকৌ অনুচৰকেইজনৰ সৈতে ৰাওনা হ'ল।

সিদিনাই সাঁজ লাগি ভগাৰ পাছত সূৰ্যবৰ্মা নিজৰ অঞ্চল পালেগৈ। তাত আছিল এডৰা গভীৰ অৰণ্য। ঠাইডোখৰ আছিল পাহাৰুৱা। সূৰ্য্যবৰ্মাই ঘোঁৰাত উঠি গৈ আছিল আৰু ভাবি আছিল যে তপোবৰ্ধনক কেনেকৈ ৰজা হোৱাৰ যোগ্য কৰি তুলিব পাৰি। তেওঁ তন্ময় হৈ ভাবি আছিল এইবোৰ কথা।

অকস্মাৎ কিছুমান মানুহৰ হৈ-চৈৰ শব্দ উঠাত তেওঁ ৰৈ দিলে আৰু ঘূৰি চালে। অৰণ্যৰ বিৰাট বিৰাট গছৰ আঁৰৰপৰা অসংখ্য অস্ত্ৰধাৰী মানুহ পকৰাৰ দৰে ওলাই আহিল আৰু তেওঁলোকক চাৰিওফালৰপৰা আগুৰি ধৰিলে।

সূৰ্য্যবৰ্মাই ক্ষিপ্ৰতাৰে তৰোৱাল দাঙি ধৰি আত্মৰক্ষা কৰিবলৈ সাজু হ'ল। আৰু চকুৰ পচাৰতে অস্ত্ৰধাৰীহঁতে সূৰ্য্যবৰ্মাক আক্ৰমণ কৰিলেহি। [অহা সংখ্যাত



আত্মদীনতা

শটো পুনৰ গছৰ ডালৰপৰা নমাই আনি কান্ধত পেলাই লৈ, প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্যই নীৰৱে-নিমাতে পুনৰ মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে বিক্ৰমাদিত্যক কৈ উঠিল, "তোমাৰ এই প্ৰচেষ্টা বিফল হ'লেও, হে ৰজা, তোমাৰ অদমনীয় উৎসাহৰ শলাগ ল'বই লাগিব। কিন্তু বাৰে বাৰে বাধাপ্ৰাপ্ত হৈ তুমি আত্মদীনতা বোধ কৰিছা নেকি মই ক'ব নোৱাৰোঁ। ৰত্নেশ্বৰৰ জীৱনতো এনেকুৱা আত্মদন্যবোধৰ ঘটনা ঘটিছিল। সেই কাহিনী কওঁ শুনা।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে :

ৰত্নেশ্বৰৰ দেউতাকৰ নাম আছিল হংসেশ্বৰ। তেওঁলোক আছিল গোপনগৰৰ অধিবাসী। নিজৰ গাঁৱত ৰত্নেশ্বৰ আছিল বিদ্বান-বুদ্ধিমান তথা এজন বিচক্ষণ লোক

'বেতাল-কথা'

হিচাপে খ্যাত। ৰত্নেশ্বৰে দূৰ-দূৰণিলৈ গৈ পণ্ডিত লোকসকলৰপৰা বিভিন্ন বিষয়ত জ্ঞান অৰ্জন কৰি নিজৰ গাঁৱলৈ উভতি আহিছিল। তাৰ পাছৰপৰাই তেওঁৰ নাম দহোৱাইজৰ মুখে মুখে বিয়পি পৰিল, আৰু এদিন দেশৰ ৰজাৰ কাণতো পৰিলগৈ। ৰত্নেশ্বৰৰ পাণ্ডিত্যৰ প্ৰশংসা শুনি—এহেজাৰ মুদ্ৰা দৰমহা দিয়াৰ প্ৰতিশ্ৰুতিৰে ৰজাই ৰত্নেশ্বৰক ৰাজসভালৈ মতাই পঠিয়ালে।

দেউতাক হংসেশ্বৰে পুতেক ৰত্নেশ্বৰেক ক'লে, "বোপা, ইমান বছৰ ধৰি কষ্ট কৰি যি জ্ঞান আৰ্জিছা, এতিয়া তাৰ ফললাভ কৰিছা। চেষ্টা কৰিও অতি বিদ্বান মানুহেও ৰজাৰ চাকৰি নাপায়, আৰু তুমি অলপো চেষ্টা নকৰাকৈয়েই ঘৰত বহিয়েই মহাৰাজৰপৰা আহ্বান পালা! যি কি নহওক, এতিয়া কিন্তু তোমাৰ বিয়া কৰাবৰো হ'ল। তুমি যদি ৰাজী বিয়া কৰাবলৈ মই কইনা বিচাৰি ওলাব পাৰোঁ। বিয়াৰ পাছত তোমালোকে ৰাজধানীত সুখেৰে কাল কটাবা।"

হংসেশ্বৰৰ ঘৰৰ কাষতেই গোপীনাথ নামৰ এগৰাকী ধনী ব্যৱসায়ী আছিল। সৰুৰেপৰাই গোপীনাথৰ লগত হংসেশ্বৰৰ বন্ধুত্ব আছিল আৰু দূৰ সম্পৰ্কৰ আত্মীয়তাও নথকা আছিল। গোপীনাথৰ এজনী ছোৱালী আছিল। তাই আছিল বিবাহযোগ্যা। এই ভদ্ৰ, বিনম্ৰ আৰু জ্ঞানৱতী ছোৱালীজনীক বোৱাৰী হিচাপে লোৱাৰ ইচ্ছা আছিল হংসৰ মনত।

ৰত্নেশ্বৰে বিয়া কৰোৱাত একো ওজৰ-আপত্তি নকৰাত হংসেশ্বৰ পোনে পোনেই বন্ধু গোপীনাথৰ ঘৰলৈ গ'ল আৰু তেওঁৰ মনৰ কথা গোপীনাথক ক'লেগৈ। এই কথা শুনি গোপীনাথে হতবাক হোৱা দি ক'লে, "হংস, সৰুৰেপৰাই আমি দুয়ো বন্ধু হিচাপে আছোঁ, আৰু জানাই, আমাৰ মাজত আত্মীয়তাৰ

সম্পৰ্কো আছে। পিছে—এই বিয়াৰ প্ৰস্তাৱৰ উত্তৰত মই এতিয়া যি ক'ম—তুমি খং নকৰিবা যেন। মই যদি ছোৱালীজনীক অন্ততঃপক্ষে আমাৰ দৰে অৱস্থাসম্পন্ন এঘৰত নিদিওঁ, তেনেহ'লে তাইৰ প্ৰতি অন্যায় কৰা হ'ব।"

গোপীনাথে যে কেতিয়াবা এনেকৈ ক'ব পাৰে, সেই কথা হংসশ্বৰে কল্পনাও কৰিব পৰা নাছিল। তেওঁ তেতিয়া সংকোচৰে সৈতে গোপীনাথক ক'লে, "মোৰ ল'ৰাটোৱে ৰজাৰ অধীনত চাকৰি পালে। দৰমহা হ'ল—মাহেকত এহেজাৰ টকা। তাৰ জ্ঞান-বুদ্ধিৰ পৰিচয় পাই, ৰজাই নিজেই উপযাচি তাক চাকৰিত মকৰল কৰিলে। এদিন ল'ৰাটো সকলো ফালৰেপৰাই ডাঙৰ তথা খ্যাতিমন্ত হ'ব বুলি মোৰ বিশ্বাস।"

"চোৱা, ৰত্নেশ্বৰ নিশ্চয় ৰাজধানীতে থাকিব। তাত পৰিবাৰক লৈ থাকিবলৈ হ'লে মাহেকত এহেজাৰ মুদ্ৰা বৰ বেছি নহয়, কথমপিহে সংসাৰখন চলাব পাৰিব।" গোপীনাথে ক'লে।

হংসেশ্বৰে সকলো কথা ক'লেগৈ ৰত্নেশ্বৰক। তেতিয়া ৰত্নেশ্বৰো বিমৰিষ হ'ল।

তাৰ পাছত চুবুৰীয়া গাঁৱৰ এজন খেতিয়কৰ ছোৱালীক ৰত্নেশ্বৰে বিয়া কৰালে আৰু বিয়াৰ পাছত পৰিবাৰক লৈ ৰত্নেশ্বৰ ৰাজধানীলৈ গুচি গ'ল।



কিছুকালৰ অন্তত ৰাজধানীত পণ্ডিত হিচাপে ৰত্নেশ্বৰৰ যথেষ্ট নাম-ডাক হ'ল। ৰাজসভাতো তাৰ আদৰ-সাদৰ ঢেৰ বাঢ়িল। কেইবছৰমানৰ ভিতৰত ৰত্নেশ্বৰ ভালেকেইটমান ল'ৰা-ছোৱালীৰ পিতৃ হৈ পৰিল; কিন্তু সেই পৰিমাণে আয়-উপাৰ্জন নাবাঢ়িল। তাৰ ফলত, ৰত্নেশ্বৰৰ মনত বিৰক্তি আৰু হতাশাই জুমুৰি বান্ধিলে।

আৰু হঠাৎ এদিন পৰিবাৰ আৰু ল'ৰা-ছোৱালীহঁতক লৈ ৰত্নেশ্বৰ তেওঁৰ গাঁৱলৈ উভতি গ'ল।

হংসেশ্বৰ তেতিয়া একেবাৰে বুঢ়া। খেতি-বাতিৰ কাম-কাজ বন্ধ হৈ পৰিছিল। এনেতে ৰত্নেশ্বৰ ঘৰলৈ আহিল আৰু আহিয়েই খেতি-বাতিৰ কাম নিজেই কৰিবলৈ ধৰিলে। প্ৰথমে এই কামতো তাৰ বিৰক্তি আৰু বৰ কষ্ট হৈছিল। কিন্তু কিছুদিনৰ অন্তত বিৰক্তিৰ সলনি আনন্দ হ'ল তেওঁৰ। নতুন পদ্ধতিৰে খেতি-বাতি কৰি তেওঁ অপাৰ আনন্দ লাভ কৰি থাকিল। তেওঁৰ সৃষ্টিত মগ্ন হ'ল।

চাওঁতে চাওঁতে ৰত্নেশ্বৰৰ অৱস্থাৰ উন্নতি হ'বলৈ ধৰিলে। ব্যয়তকৈ আয় বাঢ়িল। কিছুদিনৰ অন্তত ৰত্নেশ্বৰে নতুনকৈ কেইহালিচামান মাটি ল'লে। গাঁৱত তেওঁৰ মান-সম্মান প্ৰতাপ-প্ৰতিপত্তি বৃদ্ধি হ'ল। তেওঁ গাঁৱৰ অন্যতম চহকী খেতিয়ক এজন হৈ উঠিল। ৰত্নেশ্বৰে কেৱল খেতি-বাতি কৰিয়েই ক্ষান্ত নাথাকিল, তেওঁ বেহা-বেপাৰতো ধৰিলে। সাধাৰণ কৃষকহঁতৰপৰা ধান-চাউল কিনি লৈ তেওঁ নগৰ-চহৰৰ বেপাৰীহঁতৰ ওচৰত বেচিবলৈ ধৰিলে।

এইদৰে দহ বছৰ পাৰ হ'ল। ৰত্নেশ্বৰ এতিয়া লাখপতি। তেওঁৰ আগৰ ঘৰটো অৰ্থাৎ পুৰণা ঘৰটো ভাঙি নতুনকৈ ঘৰ সাজিলে। এতিয়া তেওঁ নগৰৰ ডাঙৰ ডাঙৰ বেপাৰীহঁতৰপৰাও খাতিৰ-বাতিৰ পোৱা হ'ল। ৰত্নেশ্বৰৰ ল'ৰাটোয়ো বেহা-

বেপাৰৰ কামত তাৰ দেউতাকক সহায় যথেষ্ট কৰিবলৈ ধৰিলে।

গোপীনাথে অতীতৰ কথা সুঁৱৰি, ৰত্নেশ্বৰৰ সৌভাগ্য দেখি, নিজৰ ভুলৰ বাবে পৰিতাপ কৰিবলৈ ধৰিলে। ৰত্নেশ্বৰক যেনেতেনে আত্মীয় কৰি ল'বলৈ গোপীনাথে চিন্তিবলৈ ধৰিৰে। আকাশ-পাতাল ভাবি গোপীয়ে স্থিৰ কৰিলে যে তাৰ নাতিনীয়েকক ৰত্নেশ্বৰৰ ল'ৰাটোক যেনেতেনে দিবই দিব।



ৰত্নেশ্বৰৰ ল'ৰাটোৱে—অৰ্থাৎ মণিধৰে যে ব্যৱসায় ভালকৈ শিকিছে সেই কথা গোপীনাথে লক্ষ্য নকৰাকৈ থকা নাই। সি যে জীৱনত দোপত দোপে উন্নতি কৰিব সেই কথাত গোপীনাথ নিঃসন্দেহ।

এদিন গোপীনাথ হংসেশ্বৰৰ কাষ চাপিল আৰু ইকথা-সিকথাৰ পাছত ক'লে, "চোৱাঁ হংস, মই এতিয়া তোমাক যিকথা ক'ম, তাৰ উত্তৰত অতীতক সুঁৱৰিলে দুখহে পাবা। সকলো কথা বিধিৰ লিখন। যি কি নহওক, আগৰ কথা বাঘে খোৱা বুলি ভাবি, এতিয়া যদি তোমাৰ নাতি ল'ৰা মণিধৰৰ সৈতে আমাৰ মণিমালাৰ বিয়াত সন্মত হোৱাঁ, তেনেহ'লে আমাৰ আগৰদিনীয়া পৰম বন্ধুত্ব তথা আত্মীয়তা অটুট থাকিব।"

হংসেশ্বৰে টপৰাই কৈ উঠিল, "ওহোঁ, সেইবোৰ নহ'ব। আমাৰ মণিধৰক জোঁৱাই হিচাপে পাবলৈ কত লাখপতি-কোটিপতিয়ে সদায় আমাৰ ঘৰলৈ আহ-যাহ কৰি আছে!"

এই কথা কৈ, অতীতৰ সেই অপমানৰ হোৰ তুলিবলৈ হংসেশ্বৰ যেনিবা সাজু হৈয়েই আছিল। হংসেশ্বৰৰ কথা শুনি, তলমূৰ হৈ, গোপীনাথ গুচি গ'ল।

কিন্তু ৰত্নেশ্বৰৰ মত বেলেগ। ধন-সম্পদৰ অহংকাৰ তেওঁৰ নাই। তেওঁ প্ৰতিটো বিষয়ক সঠিক দৃষ্টিকোণেৰে বিচাৰ কৰিব পাৰিছিল। তেওঁ তেওঁৰ দেউতাকক

বিস্তাৰিতভাৱে বুজাই পৰিশেষত ক'লে, "দেউতা, অতীতৰ কথাবোৰ পাহৰি পেলোৱাই ভাল। মণিমালাক মণিধৰে বিয়া কৰালে ভালেই হ'ব।"

তাৰ পাছত, হংসেশ্বৰৰ স্পষ্ট মত নথকা সত্বেও, মণিধৰৰ সৈতে মণিমালাৰ বিয়া হৈ গ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্রমাদিত্যক সুধিলে, "হে ৰজা, গোপীনাথে কেৱল হংসশ্বৰকেই নহয়, ৰত্নেশ্বৰকো অতীতত অপমান কৰিছিল। সেই অপমানৰ প্রতিশোধ লোৱাৰ সুযোগ পায়ো ৰত্নেশ্বৰে কিয় নল'লে? গোপীনাথে উপযাচি বিয়াৰ প্রস্তাৱ দিয়াতহেনে? মোৰ এই প্রশ্নৰ সঠিক উত্তৰ জনা সত্বেও যদি নিদিয়া, তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্রশ্নৰ উত্তৰত ৰজা বিক্রমাদিত্যই ক'লে, "আচল কথা হ'ল —প্রতিশোধ ল'ব পৰা কোনো অপৰাধ গোপীনাথে কৰা নাছিল। গোপীনাথৰ সাংসাৰিক জ্ঞান আছিল গভীৰ। সমপৰ্য্যায়ৰ নহ'লে আত্মীয়তাৰ বন্ধন কেতিয়াও দৃঢ় নহয়। সেই কাৰণেহে তেতিয়া আৰ্থিকফালৰপৰা নিম্ন পৰ্য্যায়ৰ হংসেশ্বৰৰ পুত্ৰ ৰত্নেশ্বৰক গোপীনাথে ছোৱালী দিয়া নাছিল। আনহাতে, সাধাৰণ পৰ্য্যায়ৰ হংসেশ্বৰৰ মনত এই কাৰণেই প্রতিশোধ-স্পৃহা জাগি উঠিছিল। ৰত্নেশ্বৰ আৰু হংসেশ্বৰৰ মাজত প্রচুৰ পাৰ্থক্য। ৰত্নেশ্বৰ আছিল বাস্তৱবাদী পণ্ডিত তথা বিবেচক ব্যক্তি। সেই কাৰণে, অতীত আৰু বৰ্তমানৰ যথাযথ মূল্যায়ন কৰি তেওঁ গোপীনাথৰ সৈতে পুনৰ আত্মীয়তাৰ বন্ধন সৃষ্টি কৰিছিল।"

ৰজা বিক্রমাদিত্যই এই উত্তৰ দিয়াৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

সমস্যাৰ সমাধান

চন্দ্ৰপুৰৰ জমিদাৰে তেওঁৰ দেৱান কেশৱক এজন সহকৰ্মী ল'বলৈ অনুমতি দিলে। কেশৱ দেৱান বুঢ়া হোৱাত এজন অভিজ্ঞতা থকা সহায়কাৰীৰ প্ৰয়োজন হ'ল তেওঁৰ।

এই কামৰ বাবে ৰামভদ্ৰ আৰু শিৱচন্দ্ৰ নামৰ দুজন যুৱক জমিদাৰৰ কাষ চাপিল। দুজনৰ মাজত কোন যোগ্য —সেই কথা দেৱানেই স্থিৰ কৰি লওক বুলি জমিদাৰে ক'লে।

দেৱান কেশৱচন্দ্ৰই ৰামভদ্ৰক ক'লে, "দেৱানীৰ কামত ঢেৰ সমস্যা। আজি ইবিধৰ সমস্যাৰ সমাধান কৰা হ'ল, কালিলৈ আনবিধৰ সমস্যাই মূৰ দাঙিব। কথা মাথোন ইমানেই নহয়। আজি ইটো সমস্যাৰ সমাধান যেনেকৈ কৰা হ'ল, কালিলৈ সেই একেটাই সমস্যাৰ সমাধান তেনেকৈ নহ'বো পাৰে। এইবোৰ বিষয়ত তোমাৰ যদি কিবা অভিজ্ঞতা আছে—কোৱা।"

দেৱান কেশৱৰ কথাৰ উত্তৰত ৰামভদ্ৰই ক'লে, "চাওক, সদ্যহতে মই আন এঠাইত দেৱানৰ কাম কৰি যথেষ্ট অভিজ্ঞতা তথা দক্ষতা আৰ্জিছোঁ।"

ৰামভদ্ৰৰ কথাৰ উত্তৰত কেশৱ দেৱানে ক'লে, "এঠাইত যেনে ধৰণৰ অভিজ্ঞতা পোৱা যায়, আন ঠাইত তেনেকুৱা নহ'বো পাৰে বুলি আমাৰ ধাৰণা। ইয়াত বহু ধৰণৰ সমস্যা আছে, কিছুমান সমস্যা দস্তুৰমত জটিল। যিকোনো সমস্যাৰ সমাধান কেনে ধৰণৰ হোৱা উচিত বা কেনেধৰণে কৰিবা সেই সম্পৰ্কে তোমাৰ কিবা নিৰ্দিষ্ট মতামত আছেনে বাৰু?"

সদানন্দ কলিতা

কেশৰৰ কথা শুনি ৰামভদ্ৰ অলপ দোধোৰ-মোৰত পৰা যেন লাগিল। খন্তেকমান ভাবি লৈ তাৰ পাছত সি সাৱধানতাৰে কেশৰ দেৱানক ক'লে, "মই প্ৰতিটো সমস্যাক তাৰ নিজস্ব ৰূপত চালি-জাৰি চাওঁ। তাৰ পাছত— সমাধানৰ বাবে বাট বিচাৰি উলিয়াই। সেই কামত লাগি পাৰোঁ। মোৰ এই পদ্ধতিৰ গুণত জগতৰ কোনো সমস্যায়েই মোৰ ওচৰত প্ৰকৃতপক্ষে সমস্যা নহয়।"

তাৰ পাছত দেৱান কেশৰচন্দ্ৰই সিজন প্ৰাৰ্থী শিৱচন্দ্ৰকো ৰামভদ্ৰক সোধাৰ দৰে সুধিলে। শিৱচন্দ্ৰই ক'লে, "যিকোনো সমস্যাৰ সমাধান কৰাৰ আগতে মই তাৰ সৈতে সংশ্লিষ্ট প্ৰশ্নাৱলী লিখি লওঁ আৰু প্ৰতিটো প্ৰশ্নৰ সঠিক উত্তৰ নোপোৱালৈকে কেতিয়াও কামত নধৰোঁ।"

ৰামভদ্ৰ আৰু শিৱচন্দ্ৰৰ কথা শুনাৰ পাছত কেশৰচন্দ্ৰ দেৱান জমিদাৰৰ ওচৰলৈ গ'ল। কেশৰৰপৰা সকলো কথা শুনি জমিদাৰে ক'লে, "দুয়োজনেই বেছ বুদ্ধিমান। এই দুজনৰ মাজত এজনক বাছি উলিওৱাটো বেছ টানহে হ'ব দেখিছোঁ।"

"নহয়, টান নহ'ব। আপুনি মোৰ সহায়কাৰী হিচাপে শিৱচন্দ্ৰক ল'ব পাৰে।" দেৱান কেশৰচন্দ্ৰই ক'লে।

"শিৱচন্দ্ৰকনো যোগ্য বুলি ভাবিলে কেলেই?" জমিদাৰে সুধিলে।

"কিয়নো—যিকোনো সমস্যা সমাধান কৰাৰ আগতে সমস্যাৰ বিষয়সমূহ প্ৰশ্নৰ আকাৰত লিখা আৰু সম্ভাব্য সমাধান লিপিবদ্ধ কৰাৰ অভ্যাস বহুতৰেই নাই; কিন্তু এই গুণ শিৱচন্দ্ৰৰ মাজত আছে। আছে বুলিয়েই তাক মই ল'ব খুজিছোঁ।" দেৱান কেশৰে ক'লে।

জমিদাৰে দেৱানৰ যুক্তিপূৰ্ণ কথাৰ প্ৰতিবাদ নকৰি যোগ্য প্ৰাৰ্থী শিৱচন্দ্ৰক তেতিয়াই কামত মকৰল কৰিলে।



সমালোচক

এখন নগৰত ধুনীয়াবো ধুনীয়া পুতলা তৈয়াৰ কৰিবপৰা এজন মানুহ আছিল। মানুহজনে চৰাই, পইতাচোৰা, জেঠি, শহাপহু আদি বিভিন্ন প্ৰাণীৰ পুতলা তৈয়াৰ কৰিছিল। এইবিলাক পুতলা তৈয়াৰ কৰোঁতে সঁচাসঁচিকৈ পাখি, নখ, ছাল আদি ব্যৱহাৰ কৰাত পুতলাবিলাক জীয়া যেন হৈ উঠিছিল। এবাৰ দেশৰ ৰজাই স্বাভাৱিক পৰিবেশত, নিজৰ উদ্যানতে এখন পুতলা-প্ৰদৰ্শনী পাতিলে। প্ৰদৰ্শনী চাবলৈ সমালোচকসকলো আহিছিল। সমালোচকইঁতে পুতলাবিলাকক তীক্ষ্ম দৃষ্টিৰে নিৰীক্ষণ কৰি থাকিল। পুতলা-শিল্পীয়ে সমালোচনা উদগ্ৰীৱ হৈ ৰৈ থাকিল।

এজোপা আমৰ ডালত দুটা চৰাই বহি আছিল। এই চৰাই দুটাৰ ঠোঁটৰ বৰণ চাই সমালোচক এজনে মন্তব্য কৰিলে, "এনোবোৰ আচল চৰাইৰ ঠোঁৰ বৰণ ঢেৰ বেছি ৰঙা হয়। ৰং সম্পৰ্কে বিশেষ জ্ঞান নথকা কোনোবা শিল্পীয়ে নিশ্চয় এই চৰাইৰ পুতলা তৈয়াৰ কৰিলে। কেৱল ঠোঁটৰ ৰঙেই নহয়, চৰাই, দুটাৰ চকুও ঠিক ঠিক হোৱা নাই। আৰু ডেউকা—তো হোৱাই নাই।"

সমালোচকে তেওঁৰ মন্তব্য শেষ কৰাৰ লগে লগে ডালত থকা চৰাই দুটাৰ মাজত এটা ডেউকা কোৱাই উৰি গুচি গ'ল আৰু আনটো ডালৰপৰা ধুপুচকৈ বাগৰি পৰিল। দৰ্শকইঁতে সমালোচকলৈ চাই হো হোৱাই হাঁহি উঠিল। সমালোচক তলমূৰ হৈ তাৰপৰা ততাতৈয়াকৈ গুচি গ'ল।

উপস্থিত বুদ্ধি

নাগাৰলনৈ পাৰ হৈ, মাজনিশা চাৰিজন যাত্ৰী বিক্ৰমপুৰলৈ যাবলৈ ওলাল। তাত এখন ঘোঁৰাৰ গাড়ী বৈ আছিল। যাত্ৰী চাৰিজনে গাড়ীখন ল'লে আৰু অলপ পাছত বিক্ৰমপুৰলৈ বুলি ৰাওনা হ'ল।

চাৰিওফালে তেতিয়া নিমজ এন্ধাৰ-আৰু নিমাওমাও। হঠাৎ যাত্ৰী চাৰিজনৰ চকুত পৰিল এক অভিনৱ দৃশ্য। দুটা পোৱালিৰে সৈতে এটা প্ৰকাণ্ড ভালুক বাটৰ ওপৰত বহি আছে। ঘোঁৰাবাগীৰ শব্দ উঠাত ভালুককেইটা বাটৰ কাষৰ হাবিৰ মাজত সোমাই গ'ল।

তেতিয়া এজন যাত্ৰীয়ে ক'লে, "এই মাজনিশা ক'লৈকো নগৈ ৰাতি পুউৱাৰ পাছতহে যোৱা উচিত আছিল। ভালুকটো ভাগ্যে হাবিলৈ সোমাল, নহ'লে কেনে সৰ্বনাশ হ'লহেঁতেন কওঁকচোন!"

এই কথা শুনি এজন যাত্ৰীয়ে কচোৱানক গাড়ীখন ৰখাবলৈ ক'লে। গাড়ীখন বৈ দিয়াৰ লগে লগে যাত্ৰীজন, গাড়ীৰপৰা তললৈ নামিল আৰু চকচকীয়া চোকা ডেগাৰ এখন উলিয়াই গম্ভীৰ মাতেৰে ক'লে, "তোমালোকে চঙুৰ নাম শুনিছা। ভালুক আনকি বাঘতকৈয়ো সেই নাম ভয়ংকৰ। এই অঞ্চলত মোৰ ইচ্ছাৰ বিৰুদ্ধে কোনেও একো কৰিব নোৱাৰে। মই ভালৰ ওচৰত ভাল, বেয়াৰ ওচৰত বেয়া। মোৰ আদেশ যদি কোনোবাই নামানে—তাৰ ভাগ্যত থাকে কেৱল মৃত্যু। কোনোবাই চিঞৰ-বাখৰ কৰিলে লগে লগে ডিঙি কাটি তাক শাস্তি দিওঁ মই। এতিয়া, মই আদেশ কৰিছোঁ, যাৰ

হৰেন ঠাকুৰীয়া

ওচৰত যি আছে—মোক দিয়া।”

যাত্ৰীসকলে কঁপি-জপি সকলো বয়-বস্তু, টকা পইচা চণ্ডু ডকাইতক দিবলৈ ধৰোঁতেই হঠাৎ সৌকাৰ কোৰ এটাৰ শব্দ উঠিল আৰু কচোৱানে গৰ্জি উঠি ক'লে, “হেৰ চণ্ডু, মই কোন চিনি পাইছনে? তোক ধৰিবলৈ পাৰ্বতীপুৰৰ ৰজাই মোক পঠাইছিল। তোক মই গ্ৰেপ্তাৰ কৰিলোঁ।”

কচোৱানৰূপী ৰাজপ্ৰহৰীয়ে চণ্ডু ডকাইতক আক্ৰমণ কৰাত যাত্ৰীসকলো চণ্ডু ডকাইতৰ ওপৰত জঁপিয়াই পৰিল আৰু তাৰ ডেগাৰখন তাৰপৰা কাঢ়ি ল'লে। তাৰ পাছত, কচোৱানে তাক কটকটীয়াকৈ বান্ধি গাড়ীত তুলি ল'লে।

এজন যাত্ৰীয়ে কচোৱানৰূপী ৰাজপ্ৰহৰীক ক'লে, “আপুনি যে ৰাজপ্ৰহৰী আমি একদম ভাবিবই পৰা নাছিলোঁ। আপোনাৰ এই ছদ্মবেশ সাৰ্থক।”

“যি কি নহওক, আপোনালোকৰ সহযোগিতাত এই সৰ্বনশীয়া চণ্ডুক যে ধৰিব পাৰিলোঁ—এয়ে মোৰ পক্ষে যথেষ্ট।” কচোৱানে ক'লে।

বিক্ৰমপুৰ পোৱাৰ পাছত কচোৱানে গাড়ীখন কতোৱালৰ ঘৰৰ আগত ৰখালে। কতোৱালে চণ্ডুক দেখি আচৰিত হৈ ক'লে, “চণ্ডু ধৰা পৰিল! মই যে কত চেষ্টা কৰিছিলোঁ—সদায় ব্যৰ্থ হৈছোঁ।”

কতোৱালৰ কথা শুনি যাত্ৰীইঁতৰ মাজত এজনে কৈ উঠিল, "চাওক ডাঙৰীয়া, এওঁ, এই ৰাজপ্ৰহৰীজন কচোৰানৰ ভেশছন লৈ গাড়ীত নথকাহেঁতেন চণ্ডুক আমি নিশ্চয় ধৰিব নোৱাৰিলেহেঁতেন। প্ৰথমে তেওঁ আক্ৰমণ কৰাতহে আমিও হাত উজান দিছিলোঁ। যি কি নহওক, আমি এই সাহিয়াল তথা অতি কৰ্তব্যপৰায়ণ ৰাজপ্ৰহৰীজনলৈ কিবাকিবি উপহাৰ আগবঢ়াম বুলি ভাবিছোঁ।"

যাত্ৰীজনৰ কথা শুনি কতোৱালে অবাক হৈ কচোৰানক সুধিলে, "হেৰা চৰণ, তুমিনো ৰাজপ্ৰহৰীৰ বাব পালা কেতিয়াৰপৰা ?"

তেতিয়া কচোৰানে আনুপুৰ্বিক ঘটনা বিবৰি ক'লে, "চাওক, আমি ইমান-কেইজন মানুহে থাকোঁতেও এটা মানুহে লুটপাত ক'ৰি লৈ যাব—এই কথা মোৰ একেবাৰে অসহ্য হ'ল। আমি চাৰিজন, আৰু সি যিমানেই শক্তিশালী নহওক—এটাহে! চাৰিজনে মিলিও এটা মানুহক কাবু কৰিব নোৱাৰিমনে ? এই কথা ভাবিহে মই তাক ঘূৰাই আক্ৰমণ কৰিলোঁ, আৰু নিজৰ মিছা পৰিচয় দাঙি ধৰিলোঁ। কিয়নো—মই সাধাৰণ মানুহ বুলি জানিলে সি নিশ্চয় ভয় নাখালেহেঁতেন। চোৰ-ডকাইতৰ মনত ৰজাৰ প্ৰহৰীৰ সম্পৰ্কে ভয়-ডৰ থাকিবই। মই সেই সুবিধাকণ লৈছিলোঁ মাথোন। মই ৰাজ-প্ৰহৰীৰ ভাও দি ভয়ংকৰ চণ্ডু ডকাইতক সেও মনাইছিলোঁ।"

এই কথা শুনি কতোৱালে চৰণ কচোৰানক তাৰ এই সাহসিক কামৰ বাবে তাক শলাগিলে। যাত্ৰীসকলে চৰণক পুৰস্কাৰ দিলে। আৰু কেইদিন-মানৰ পাছত ৰজায়ো চৰণ-কচোৰানক তাৰ এই উপস্থিত বুদ্ধিৰ বাবে তাক ৰাজহুৱাভাৱে পুৰস্কৃত কৰিলে।

ব্ৰহ্মদৈত্য

ব্ৰহ্মদত্ত যেতিয়া কাশীৰ ৰজা আছিল, তেতিয়া বোধিসত্ত্ব এক সাধাৰণ গৃহস্থৰ ঘৰত জন্ম লৈছিল। তেতিয় বোধিসত্ত্বৰ নাম আছিল সুতনু। সুতনুৱে ডাঙৰ হৈ তাৰ মাক-দেউতাকক পালিবলৈ ধৰিলে। কিছুদিনৰ পাছত তাৰ দেউতাকৰ মৃত্যু হ'ল। সহায়-সম্বলহীন সুতনু আৰু তাৰ দুখনি মাকে অতি কষ্টেৰে কথামপি দিন কটাবলৈ ধৰিলে।

কাশীৰাজ ব্ৰহ্মদত্তৰ চিকাৰলৈ বৰ ৰাপ আছিল। তেওঁ যেতিয়াই-তেতিয়াই অৰণ্যত সোমাই চিকাৰ কৰিছিল। এদিন ৰজাই এজনী হৰিণাক বহু দূৰবলৈকে খেদি নি কঁড়িয়াই মাৰিলে। হৰিণাৰ পিছে খেদি গৈ গৈ ৰজাই যি ঠাই পাইছিলগৈ, ৰজাৰ সহচৰসকলে সেই ঠাই পাবগৈ নোৱাৰিলে। তাৰ ফলত, মৃত হৰিণাজনীক কান্ধত কঢ়িয়াই লৈ ৰজাই তেওঁৰ সহচৰসকলক বিচাৰি খোজ কাঢ়িবলৈ ধৰিলে।

তেতিয়া ভৰ দুপৰ। চৌফলীয়া ৰ'দত ৰজাই খোজ কাঢ়ি কাঢ়ি ভাগৰি পৰিল। এইদৰে, বহু সময়লৈকে খোজ কঢ়াৰ অন্তত, ৰজাই এজোপা বৰগছৰ তলত জিৰাবৰ মনেৰে বহিলগৈ মৃত হৰিণাজনীক কাষত থৈ। আৰু, অলপ পাছত অতপৰে ক্লান্ত খোজ কাঢ়ি কাঢ়ি ৰজাৰ চকুযুৰি মুদ খাই পৰিল।

এনেতে হঠাৎ এটা ব্ৰহ্মদৈত্যই ৰজাৰ আগত উপস্থিত হৈ হুংকাৰি কৈ উঠিল, "মই তোমাক খাই পেলাম।"

ৰজাই সাহস সঞ্চয় কৰি গৰ্জি উঠি

ক'লে, "কোনহে তুমি? তুমি এই কথা কোৱাৰ শাস্তি জানানে?"

"শুনা, যিজোপা গছৰ তলত তুমি বহি আছা, সেই গছজোপা মোৰ। এই গছৰ তলত বহাজনক মই সদায় ধৰি খাওঁ।" ব্ৰহ্মদৈত্যই ক'লে।

ৰজাই অলপ চিন্তা কৰি চাই গহীন-গম্ভীৰ কণ্ঠেৰে ক'লে, শুনা. মোক মাৰি খালে তুমি মাত্ৰ এসাজহে খাবা। আৰু মোক নাখালে মই প্ৰতিদিন তোমাৰ খাদ্যৰ যোগান ধৰিম। এতিয়া. তোমাক কি লাগে কোৱাঁ।"

"ঠিক আছে, প্ৰতিদিনৰ খাদ্য মোক দিয়া।" ব্ৰহ্মদৈত্যই ক'লে।

"কিন্তু মোক নাখালে তুমি এতিয়া খাবানো কি? লঘোনে থাকিবানে? ঠিক আছে, তুমি এই মৰা হৰিণাজনীকে খোৱা আজি। কালিলৈৰপৰা তুমি প্ৰতি-দিন খাদ্য পাবা। মই হ'লোঁ এই দেশৰ ৰজা। মই প্ৰতিদিন খাদ্য হিচাপে এজন মানুহক তোমাৰ ওচৰলৈ পঠাম।" ৰজাই ব্ৰহ্মদৈত্যটোক ক'লে।

এই কথা শুনি ব্ৰহ্মদৈত্যই ভাল পাই ক'লে, "তোমাক মই বাৰু এৰি দিম, নাখাওঁ। কিন্তু প্ৰতিদিন এজন মানুহক মোৰ ওচৰলৈ কেনেকৈ পঠাবা?"

"মই এই দেশৰ ৰজা, মোৰ পক্ষে সকলো সম্ভৱ।" ৰজাই ক'লে।

"কিন্তু এটা কথা মনত ৰাখিবা। তুমি যিদিনা মোক খাদ্য নপঠাবা'ও পোনে পোনেই তোমাৰ ওচৰলৈ যাম আৰু তোমাকৈ ধৰি খাম।" ব্ৰহ্মদৈত্যই ক'লে।

ৰজাই ব্ৰহ্মদৈত্যক হৰিণাজনী খাবলৈ দিলে আৰু তাৰ পাছত ৰাজধানীলৈ উভতি গৈ তেওঁৰ মহামন্ত্ৰীক সকলো কথা সবিস্তাৰে ক'লে।

মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ, এই কথাত আপুনি চিন্তিত নহ'ব। আমাৰ কাৰাগাৰত অসংখ্য অপৰাধী আছে,

প্ৰতিদিন এটাকৈ পঠালেই হ'ল।"

কিন্তু কাৰাগাৰৰপৰা এজন এজনকৈ পঠাওঁতে এদিন কাৰাগাৰ শূন্য হৈ পৰিল। তেতিয়া ৰজাই ঘোষণা কৰিলে :

"ব্ৰহ্মদৈত্য থকা বৰগছলৈ খাদ্যৰে সৈতে যিজন যাব, তেওঁক এহেজাৰ মুদ্ৰাৰে পুৰস্কৃত কৰা হ'ব।"

ৰজাৰ এই ঘোষণা শুনি সুতনুৱে ভাবিলে : বৰ বঢ়িয়া কথা! গোটেই দিন ধৰি হাড়ক পানী কৰিও মোৰ পেট নচলে, আৰু, বৰগছজোপাৰ তললৈ গ'লেই পাম এহেজাৰ মুদ্ৰা!

সুতনুৱে তাৰ মাকক ক'লে, "মা, মই এজোপা বৰগছৰ তললৈ যাম ব্ৰহ্মদৈত্য এটাৰ খাদ্য কঢ়িয়াই লৈ। তাক খাদ্য দিলেই ৰজাই মোক এহেজাৰ টকা দিব। তেতিয়া আমাৰ দুখ গুচিব।"

কিন্তু মাক মান্তি নহ'ল। তেতিয়া সুতনুৱে তাৰ মাকক বিভিন্নভাৱে বুজাই বুজনি দি ক'লে, "মোৰ একো বিপদ নহ'ব, মই পট্‌কৈ উভতি আহিম চাবা।"

তাৰ পাছত সুতনুৱে ৰজাক ক'লেগৈ "মহাৰাজ, মই ব্ৰহ্মদৈত্য থকা বৰগছৰ তললৈ যাম। পিছে—মোক আপোনাৰ জোতা, ছাতি, তৰোৱাল আৰু এটা ডাঙৰ সোণৰ পাত্ৰ দিব লাগিব।"



এই কথাৰ মাথা-মুণ্ড বুজিব নোৱাৰি ৰজাই সুতনুক ক'লে, "তুমি খাদ্য লৈহে যাবা তালৈ, এইবোৰ আগ্‌ডম্-বাগডম্ বস্তুৰে কি কৰিবানো?"

"মহাৰাজ, মই সেই ব্ৰহ্মদৈত্যটোক পৰাজিত কৰিবলৈ বিচাৰোঁ। তাক পৰাজিত কৰিবলৈ এইবোৰ বস্তুৰ আৱশ্যক।" সুতনুৱে ৰজাক ক'লে।

তাৰ পাছত, ৰজাৰপৰা পোৱা জোতা পিন্ধি মূৰৰ ওপৰত ছাতি মেলি লৈ, সোণৰ পাত্ৰ হাতত লৈ, সেই বৰগছজোপাৰ ওচৰলৈ গৈ, গছজোপাৰ ছাঁৰ বাহিৰত থিয় হৈ ব্ৰহ্মদৈত্যলৈ চাই

পঠালে সুতনুৱে।

ব্ৰহ্মদৈত্যয়ে তাৰ খাদ্যলৈ বাট চাই আছিল। সি সুতনুক ক'লে, "আহাঁ, গছৰ ছাঁত বহি জিৰোৱাঁহি।"

"ওহোঁ, মোৰ ইমান সময় নাই। মই তোমাৰ খাদ্য লৈ আহিছোঁ, হোঁ, লোৱাঁ।" এই বুলি কৈ, সোণৰ পাত্ৰটো মাটিত থৈ, সুতনুৱে তৰোৱালেৰে গছৰ ছাঁৰ পিনে ঠেলি দিলে।

ব্ৰহ্মদৈত্যই খঙতে জ্বলি-পকি উঠি ক'লে, "তুমি যি আচৰণ কৰিছা, তেনেকুৱা আচৰণ আজিপৰ্য্যে কোনেও নাই কৰা। খাদ্য কঢ়িয়াই অনাজনকো মই ধৰি খাওঁ এই কথাটো মনত ৰাখিবা।"

"তুমি মোক খাব নোৱাৰিবা। কিয়নো, মই তোমাৰ অধিকাৰভুক্ত এলেকালৈ যোৱা নাই।" সুতনুৱে ক'লে।

"ঠিক আছে, এইবাৰ মই ৰজাক খামগৈ চা'বা। ব্ৰহ্মদৈত্যই ক'লে।"

"শুনা, তোমাৰ পাপৰ ফলতহে ব্ৰহ্মদৈত্য হ'লা। তথাপি তুমি সদায় পাপ কৰি আছা। তুমি এই জঘন্য জীৱন এৰি দিয়া, ভাল হৈ থাকিবলৈ চেষ্টা কৰাঁ।" সুতনুৱে দৈত্যটোক ক'লে।

"কিয় ? মই ভালেই আছোঁ দেখোন। ইয়াতকৈয়ো ভালকৈ জীয়াই থকা সম্ভৱ জানো ?" ব্ৰহ্মদৈত্যই ক'লে।

"তুমি মোৰ লগত ৰাজধানীলৈ ব'লা। মানুহ ধৰি খোৱাৰ অভ্যাস এৰি দিয়া। তুমি যাতে অন্যান্য বস্তু খাবলৈ পোৱা তাৰ ব্যৱস্থা মই কৰিম।" সুতনুৱে ক'লে।

সুতনুৰ কথাত ভাল পাই ব্ৰহ্মদৈত্য তাৰ লগে লগে গৈ থাকিল। সুতনুক উভতি অহা দেখি ৰজা অবাক হ'ল। সুতনুৱে ৰজাক সকলো কথা ভাঙি-পাতি ক'লে। ৰজাই সুতনুক তেওঁৰ পৰামৰ্শদাত হিচাপে নিযুক্ত কৰি সুতনুৰ পৰামৰ্শমতে ৰাজ্যশাসন কৰিবলৈ ধৰিলে।



স্বাধীনতা-সংগ্ৰাম

সহস্ৰবছৰৰ ভাৰতবৰ্ষৰ ঐতিহ্যসম্পন্ন অধিবাসী সকলৰ মাজত কিছুমানে বিদেশীৰ শাসন-শোষণ সহিব নোৱাৰিলে। ইংলেণ্ডত অধ্যয়ন কৰি থকা কিছুমান ভাৰতীয় যুৱকে স্বাধীনতা-সংগ্ৰামৰ বাবে 'লোটাছ এণ্ড দ্য ডেগাৰ' নামৰ সংস্থা গঠন কৰিলে।

মহাৰাষ্ট্ৰত প্লেগ ব্যাধিয়ে মহামাৰীৰ সৃষ্টি কৰাত বৃটিছ পুলিছে প্লেগত আক্ৰান্ত পৰিয়ালবিলাকৰ ওপৰত নিষ্ঠুৰ অত্যাচাৰ চলাবলৈ ধৰিলে। বিদেশীৰ হাতত তীব্ৰভাৱে অপমানিত মহাৰাষ্ট্ৰবাসীক বালগংগাধৰ টিলকে (১৮৫৭-–১৯২০) যোগ্য নেতৃত্ব দিলে।



১৯০৬ চনত ছুৰাটত অনুষ্ঠিত জাতীয় কংগ্ৰেছত পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ দাঙি ধৰা হয়। এই প্ৰস্তাৱৰ পক্ষে আছিল টিলক, অৰবিন্দ ঘোষ প্ৰমুখ্যে ব্যক্তি-সকল। কিন্তু কিছুমান নেতাই এই প্ৰস্তাৱৰ বিৰোধিতা কৰাত অৰবিন্দ ঘোষৰ সভাপতিত্বত আন এখন সভাত পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ গৃহীত হ'ল।



অৰবিন্দ ঘোষৰ নেতৃত্বত বিদেশী দ্ৰব্যাদি বৰ্জন, পঞ্চায়তৰ যোগেদি বিবাদ-বিসম্বাদৰ মীমাংসা, জাতীয় শিক্ষাৰ প্ৰৱৰ্তন, জাতীয় সৈন্য গঠন আদি প্ৰস্তাৱ সৰ্বসন্মতভাৱে গৃহীত হ'ল ; তাৰ ফলত ক্ৰুদ্ধ হৈ বৃটিছ সৈন্যই সীমাহীন অত্যাচাৰ চলালে।

১৯১০ চনত অৰবিন্দ ঘোষে ৰাজনীতিৰ মঞ্চৰপৰা বিদায় লৈ আধ্যাত্মিক জীৱনলৈ খোজ ল'লে। তথাপি, তেওঁৰ নিৰ্দেশিত বিপ্লৱী চেতনাৰ বাট বুলি বুলি বাঘা যতীনে তেওঁৰ সহচৰ-সকলৰে সৈতে ওড়িশাৰ বালেশ্বৰ অঞ্চলত শক্তিধৰ বৃটিছৰ বিৰুদ্ধে তীব্ৰ সংগ্ৰাম কৰি জীৱন আহুতি দিলে।



কেনেডাস্থিত পঞ্জাৱীসকলে ভাৰতৰ এই স্বাধীনতা সংগ্ৰামত অৰিহনা যোগাবলৈ গঠন কৰিলে গদৰ পাৰ্টি। তিনিশ বাসত্তৰ জন ভাৰতীয় যাত্ৰীৰে সৈতে কোমাগাটামাৰু নামৰ এখন জাহাজখত গদৰ পাৰ্টিৰ মানুহ থকা বুলি ভাবি জাহাজখনক কলিকতালৈ লৈ অহা হ'ল আৰু তেতিয়া বৃটিছ পুলিছে যাত্ৰীসকলক গুলিয়ালে।

দক্ষিণ আফ্ৰিকাত বৃটিছইঁতৰ অত্যাচাৰৰ বিৰুদ্ধে গান্ধীজীয়ে প্ৰতিবাদ জনালে। ১৯১৪ চনত তেওঁ ভাৰতলৈ উভতি আহিল। তেওঁ অহিংসা আন্দোলনৰ যোগেদি ভাৰতৰ স্বাধীনতাৰ বাবে সত্যাগ্ৰহৰ স্থচনা কৰে।



১৯১৯ চনৰ ১: এপ্ৰিল তাৰিখে স্বাধীনতা সংগ্ৰামৰ নেতাসকলক বন্দী কৰাৰ প্ৰতিবাদত পঞ্জাৱস্থ জালিয়ানৱালাবাগত গোটখোৱা নিৰস্ত্ৰ লোকসকলৰ ওপৰত জেনেৰেল ডায়াৰৰ নেতৃত্বত বৃটিছ সৈন্যই গুলী চলালে।

এই সমাবেশ আছিল পূৰ্ব ঘোষিত আৰু কোনো প্ৰকাৰৰ চৰকাৰী নিষেধাজ্ঞাও নাছিল। তথাপি জেনেৰেল ডায়াৰে ৯০ জন বৃটিছ সৈন্যৰে সৈতে তাত উপস্থিত হ'ল আৰু কোনোবিধৰ সতৰ্কবাণী উচ্চাৰণ নকৰাকৈয়েই গুলী চলালে। ঘটনাস্থলত ৩৭৯ জন নিহত আৰু ১২০৮ জন আহত হৈছিল। এয়া আছিল চৰকাৰী ঘোষণা।



যি ঠাইত এই শোকলগা ঘটন ঘটিছিল, তাত শ্বহীদসকলৈ এটি বেদী গঠন কৰা হৈছে। এই শ্বহীদ-বেদীয়ে ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামক তথা স্বাধীনতাৰ হকে আত্মোৎসৰ্গৰ কথা আমাক সততে সোঁৱৰাই দিয়ে।

স্বাধীনতা-সংগ্ৰামী লোকসকলৰ মাজত ভালেমানক বৃটিছ সাম্ৰাজ্যবাদীসকলে আন্দামান দ্বীপলৈ প্ৰেৰণ কৰিছিল। তেতিয়াৰ দিনত আন্দামান দ্বীপ আছিল অতি অস্বাস্থ্যকৰ ঠাই। অসংখ্য অসুস্থ স্বাধীনতা সংগ্ৰামীয়ে তাত মৃত্যুক আঁকোৱালি লৈছিল।



ভাৰতৰ স্বাধীনতা-সংগ্ৰামত গান্ধীজীৰ আবিৰ্ভাৱত সংগ্ৰামৰ ধাৰা পৰিৱৰ্তিত হ'ল। বৃটিছ চৰকাৰে লোণ তৈয়াৰীৰ ওপৰত কৰ ধাৰ্য্য কৰাত গান্ধীজীয়ে লোণ-কৰৰ বিৰুদ্ধে সত্যাগ্ৰহ আৰম্ভ কৰিলে। এই আন্দোলনে ভাৰতত প্ৰচণ্ড স্বাধীনতা-সংগ্ৰামৰ এক নৱ অধ্যায়ৰ সূচনা কৰিলে।

জগতৰ নিয়ম

প্ৰাচীনকালত মালৱদেশৰ ৰজা পুষ্কল আছিল 'মহাভোগী' নামেৰে খ্যাত। তেওঁৰ পাৰিষদসকলে তেওঁক 'হাৱাই-নোহোৱাই প্ৰশংসা কৰি নিজৰ নিজৰ সুবিধা উলিয়াছিল। ৰজায়ো ভাবিছিল ঃ মোতকৈ সুখী, মোৰ দৰে ভোগী এই পৃথিৱীত আন কোনো নাই।

এদিন জ্ঞানধনী নামৰ এগৰাকী মহাপুৰুষ ৰাজসভালৈ আহিল। জ্ঞানধনীক অতি আনন্দৰে সৈতে আহ্বান জনাই ৰজা পুষ্কলে ক'লে, "হে মহাত্মা, আপোনাৰ আগমনৰ ফলত আমাৰ দেশ পৱিত্ৰ হ'ল।" এই বুলি কোৱাৰ পাছত, ৰজাই মহাপুৰুষ জ্ঞানধনীৰ থকা-মেলাৰ বাবে সৰ্বোত্তম বন্দৱস্ত কৰি দিলে আৰু বিখ্যাত বিখ্যাত গায়ক-গায়িকা, নৰ্ত্তক-নৰ্ত্তকীৰ দ্বাৰা জ্ঞানধনীৰ মনোৰঞ্জন কৰাই আত্ম-প্ৰশংসা শুনাৰ বাবে উদগ্ৰীৱ হৈ থাকিল।

কিন্তু ইমান পৰিপাটীকৈ আয়োজন কৰা সত্বেও জ্ঞানধনীয়ে কোনো প্ৰকাৰৰ উচ্ছ্বাস প্ৰকাশনকৰি নীৰৱ হৈ থাকিল। তেওঁৰ এই নীৰৱতাক ৰজা পুষ্কলে ভাল নাপালে। তাৰ পাছত এদিন ৰজাই জ্ঞানধনীক সুধিলে, "হে মহাত্মা, আপুনি সমগ্ৰ জীৱন-কাল ধৰি বিভিন্ন দেশত ঘূৰি অসংখ্য ৰজা-প্ৰজাক দেখিছে। কিন্তু মোতকৈ সুখী ক'ৰবাত কাৰোবাক দেখা পাইছেনে কেতিয়াবা?"

এই কথাৰ উত্তৰত জ্ঞানধনীয়ে ক'লে, "মোৰ আদি নিবাস য'ত আছিল, তাত— প্ৰতাপ নামেৰে এজন সুখী মানুহক দেখা পাইছিলোঁ। নিশ্চিতভাৱেই, তেওঁক

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

মই দেখা মানুহৰ মাজতে আটাইতকৈ সুখী বুলি ক'ব পাৰোঁ।"

ৰজাই আচৰিত মানি ক'লে, "প্ৰতাপ? কোননো সেইজন? এওঁৰ নাম মই কাহানিও শুনা নাই। এনেকুৱা এক অখ্যাতনামা ব্যক্তি মোতকৈয়ো সুখী হ'ব—এই কথা মানি লোৱাটো মোৰ পক্ষে টান।"

প্ৰতাপ যে অখ্যাত—সেই কথা সত্য। পিছে—তেওঁ যে সুখী আছিল সেই কথাত সন্দেহ নাই। তেওঁ গোটেই দিন ধৰি শ্ৰম কৰিছিল। পুত্ৰ-কন্যা-পৰিবাৰ-পৰিজনক চোৱা-চিতা কৰিছিল। নাতি নাতিনীয়েকহঁতক কোলাত লৈ ঘূৰি ফুৰিছিল। কেতিয়াও টান অসুখত পৰা নাছিল। ষাঠি বছৰ বয়সত দেশৰ হকে যুদ্ধ কৰিছিলগৈ, আৰু যুদ্ধক্ষেত্ৰতে প্ৰাণ-ত্যাগ কৰিছিল।" জ্ঞানধনীয়ে ক'লে।

"তেনেহ'লে—সুখী ব্যক্তি হিচাপে মোৰ স্থান সেই প্ৰতাপ বোলাজনৰ পিছত?" মনৰ খং মনতে সামৰি ৰজা পুষ্কলে সুধিলে।

"নহয়, সেই কথাও ন-দি ক'ব নোৱাৰি।" জ্ঞানধনীয়ে ক'লে, "কিয়নো, তাতেই, অৰ্থাৎ প্ৰতাপ থকা গাঁৱতে আন এঘৰৰ দুজন ভায়েক-ককায়েকে নিঃস্বাৰ্থভাৱে আনক সেৱা কৰি বিনা কষ্টেৰে মহৎ মৃত্যু বৰণ কৰিছিল। মোৰ মতে—সেই দুজনো আছিল মহাসুখী।"

ৰজা পুষ্কলে তেতিয়া খঙতে একোনাই হৈ ক'লে, "ইমান দিন ধৰি আপোনাৰ প্ৰতি মই যথেষ্ট সন্মান প্ৰদৰ্শন কৰিছোঁ। পৰিৱৰ্তে, সাধাৰণ ভদ্ৰতাকণো আপুনি প্ৰদৰ্শন কৰিব নোৱাৰিলে, মোৰ সম্পৰ্কে এষাৰ ভাল কথাও নক'লে। যিবোৰ মানুহে চাকৰ-নাকৰৰ দৰে দিনে-নিশাই আনৰ কাৰণে হাড়ভাঙা খাটনি খাটিছিল—সেইবোৰ মানুহ মোতকৈ সুখী হৈ আছিল কেনেকৈনো?"

জ্ঞানধনীয়ে মিচিকীয়াই হাঁহি মাৰি ৰজাকক'লে, "হে ৰজা, ক্ৰুদ্ধ লৈ লাভ নাই। ধন-সম্পদ আদি একোৱেই শাশ্বত নহয়। শেহলৈ কাৰ কি দশা হ'ব আগতীয়াকৈ কোনেও ক'ব নোৱাৰে।" এই বুলি কৈ, জ্ঞানধনী গুচি গ'ল।

জ্ঞানধনী গুচি যোৱাৰ লগে লগে ৰজাৰ স্তাৱক পাৰিষদহঁত আগ বাঢ়ি আহিল আৰু ৰজাক ক'লে, "মহাৰাজ, আপুনি সেই দঢ়ীয়াৰ কথাত বিচলিত নহ'ব! দাড়ি থাকিলেই পণ্ডিত নহয়। আচলতে সি এটা মূৰ্খ। পৃথিৱীত সৰাতোকৈ সুখী ৰজা পুষ্কল—এই কথা চন্দ্ৰ-সূৰ্য্যৰ দৰে ধ্ৰুৱ সত্য।"

এই ঘটনাৰ পাছত এবছৰ উকলিল। এনিশা ৰজা পুষ্কল যেতিয়া নিজৰ শয়ন-কক্ষত গভীৰ নিদ্ৰাত আচ্ছন্ন, তেতিয়া আচম্বিতে 'শত্ৰু! শত্ৰু!' বুলি সমস্বৰে চিঞৰ উঠিল। ৰজায়ো সাৰ পালে। এজন প্ৰহৰীয়ে ৰজাক ক'লেহি, "মহাৰাজ, আমাৰ এক সামন্তৰজা—মাহবলীয়ে অসংখ্য সৈন্য লৈ আমাক আক্ৰমণ কৰিছেহি। সিহঁতে আমাৰ প্ৰাসাদ অতৰ্কিত আক্ৰমণেৰে অধিকাৰ কৰিলে।"

পাছমুহূৰ্ততে 'মহাৰাজ মহাবলীৰ জয় হওক!' ধ্বনিৰে প্ৰাসাদ কঁপি উঠিল। অসহায় ৰজা পুষ্কল ভীত হৈ পৰিল। তেওঁ ৰজাৰ সাজপাৰ সোলোকাই সাধাৰণ মানুহ এজনৰ পোছাক পিন্ধি ওলাই যাবলৈ ধৰোঁতেই শত্ৰুপক্ষীয় সৈন্য এজনে তৰোৱাল দাঙি খেদি আহিল আৰু লগে লগে ৰজাৰ মাজু পুত্ৰই কৈ উঠিল, "তেওঁ মোৰ মোৰ দেউতা, তেৱেঁই মহাৰাজ পুষ্কল, তেওঁক নামাৰিবা!"

সৈন্যজনে তেতিয়া ৰজা পুষ্কলক সামন্ত মহাবলীৰ আগত লৈ গ'ল।

মহাবলীয়ে সৈন্যইতক ক'লে, "শত্ৰুৰ শেষ ৰাখিব নাপায়। ইয়াক এতিয়াই জুইৰে পুৰি মাৰি পেলোৱা।"

তৎক্ষণাৎ চিতা প্ৰস্তুত কৰা হ'ল আৰু সেই চিতাৰ সোঁমাজত ৰজা পুষ্কলক থিয় কৰোৱা হ'ল। পুষ্কলৰ জীৱন্ত মৃত্যু প্ৰত্যক্ষ কৰিবলৈ অসংখ্য মানুহ তাত গোট খালেহি। পুষ্কলৰ স্তাৱক পাৰিষদহঁতো দৰ্শকহঁতৰ মাজত হৈ আছিল। ৰজা পুষ্কলে অসহায়ভাৱে চাৰিও ফালে চালে আৰু ভাবিলে : এই প্ৰাসাদ এতিয়া আৰু মোৰ নহয়। কালি মই আছিলোঁ মহাৰাজ, আৰু আজি বাটৰ ভিকহু-তকৈয়ো অধম ! কালিলৈকে মোৰ সকলো আছিল, আজি একো নাই। এইদৰে মোৰ মৃত্যু হ'ব মই কল্পনাও কৰিব পৰা নাছিলোঁ। জ্ঞানধনীৰ কথাবোৰ আখৰে আখৰে সঁচ, জগতত শ্বাশ্বত বোলা একোৱেই নাই। শেহলৈ কাৰ কি হ'ব —কোনেও ক'ব নোৱাৰে। —এইবোৰ কথা ভাবি ভাবি ৰজা পুষ্কলে চিতাৰ মাজত থিয় হৈ কান্দিবলৈ ধৰিলে।

চিতাত জুই জ্বলোৱা হ'ল। ৰজা পুষ্কলে ঈশ্বৰৰ নাম সোঁৱৰাৰ দৰে কৈ উঠিল, "জ্ঞানধনী ! জ্ঞানধনী !"

পাছ মুহূৰ্ততে সামন্তৰজা মহাবলীৰ মনতো জ্ঞানধনীৰ সম্পৰ্কে প্ৰশ্ন জাগিল। তেওঁ সুধিলে, "জ্ঞানধনী কোন ?"

মহাবলীৰ সহচৰ কিছুমানে জ্ঞানধনীৰ সম্পৰ্কে বিস্তাৰিত ক'লে।

তেতিয়া মহাবলীয়ে ভাবিলে : সঁচা কথা, জগতত শাশ্বত বোলা একো নাই। মোৰ শেষজীৱন যে কেনেকুৱা হ'ব— কোনে ক'ব ? জগতৰ নিয়ম যেতিয়া এনেকুৱা—তেতিয়া পুষ্কলক জুইৰে পুৰি মাৰিবলৈ মইনো ওলাইছোঁ কিয় ? মইনে জগতৰ নিয়ামক ? এই অধিকাৰ মোক কোনে দিলে ?

মহাবলীৰ নিৰ্দেশক্ৰমে জ্বলন্ত চিতা নুমাই পেলোৱা হ'ল আৰু তেওঁ ৰজা পুষ্কলক মুক্তি দিলে।

আমোদৰ কথা

আমোদৰ বয়স একুৰি বছৰ হ'ল। ইমান বয়সতো সি পঢ়া-লিখা নিশিকিলে, আনকি ফলিখনো ছুই নাচালে। কিন্তু তাৰ মাত-কথা আচাৰ-ব্যৱহাৰ আছিল বৰ ভাল। সি গাঁৱৰ সকলোটিৰ যিকোনো ধৰণৰ কাম-বন কৰি দিয়ে, পইচা কম হওক বেছি হওক সি একো ওজৰ আপত্তি নকৰে। তাৰ ফলত, ইমান কাম-বন কৰা সত্বেও, আমোদে মাজে-সময়ে লঘোনে কটাবলৈ বাধ্য হয়।

এই গাঁৱৰে লখিমীজনীৰ প্ৰতি আমোদৰ মনত মৰমে নধৰা হ'ল। লখিমীৰো। ঘটনাটোলৈ মন কৰি এদিন লখিমীৰ দেউতাকে আমোদক কলে, "শুনা আমোদ, তুমি পৰিশ্ৰমী ল'ৰা; মই জানো। কিন্তু জোখে-জোখাৰে পাৰিশ্ৰমিক আদায় কৰিব নাজানা তুমি। গতিকে—সংসাৰ এখন তুমি চলাব নোৱাৰিবা। কেই-হালিচামান মাটি নোলোৱালৈকে লখিমিক মই তোমাৰ লগত যোৰা পাতি দিব নোৱাৰোঁ। এই কথাত তুমি বেয়া নাপাব।"

এই কথা শুনি আমোদ তলমূৰ হৈ গুচি গ'ল। লখিমীয়ে তাক ক'লে, "তুমি ইমান মনমৰা হ'ব নালাগে। দেউতাই তোমাক ভালেই পায়। তুমি দেউতাক এখন ভাল চাই পছমৰ চাদৰ দিব পাৰা যদি—তেওঁৰ মত সলনি হৈ পৰিব। পিছে—চাদৰখনত গুণাৰ কাম কৰা থাকিব লাগিব—মনত ৰাখিবা।"

আমোদ তৎক্ষণাৎ গ'ল চাদৰৰ দোকানলৈ। দোকানীয়ে আমোদক ক'লে,

'বসুন্ধৰা'

“ভাল চাই চাদৰ যে ল'বা—কমেও দহটা ৰূপৰ টকা আছেনে? আৰু এই টকা-কেইটা নগদে নগদ দিব লাগিব।”

এই দোকানীৰ ঘৰত আমোদে বহু দিনলৈ কাম কৰিছিল। দোকানীয়ে অতি কম পইচা দিছিল তাক। কেতিয়াবা কাম কৰায়ো এটা পইচাও দিয়া নাছিল।

আমোদে ভাবিলে: মোক কিমান খটুৱাইছিল, কেতিয়াবা পইচা-পাতিও নিদিছিল। আৰু এতিয়া—মইনো কিয় নগদে নগদ দিম তাক? কিয় দিব লাগিব? তাৰ পাছত বহু মানুহৰ ওচৰত আমোদে টকা দহটা খুজিলে; কিন্তু কোনেও এটা টকাও নিদিলে তাক।

তাৰ পাছত একেৰাহে পোন্ধৰ দিনলৈ কঠোৰ পৰিশ্ৰম কৰ, টকা দহটা সাঁচি, দোকানীৰপৰা চাদৰখন কিনি লৈ, আমোদে এদিন লখিমীৰ দেউতাকক প্ৰণাম কৰিলেগৈ।

চাদৰখন হাতত লৈ লাৰিচাৰি চাই, ভাল পাই, লখিমীৰ দেউতাকে আমোদক ক'লে, “এনেকুৱা চাদৰ এখনৰ মোৰ বহুদিনীয়া চখ আছিল, তুমি মোৰ সেই চখ পূৰণ কৰিলা, বোপা। তোমাৰো যদি তেনেকুৱা কিবা চখ আছে—কোৱা, মই পূৰণ কৰিম।”

“মই লখিমীক বিয়া কৰাবলৈ বিচাৰোঁ।” আমোদে তলমূৰ হৈ লখিমীৰ দেউতাক ক'লে।

“চোৱাঁ, তোমাৰ টকা-পইচা মাটি-বাৰী নাই, যদিও তোমাৰ মনটো সহজ-সৰল। ঠিক আছে, লখিমীক তোমাকেই দিম। আৰু দিমেই যেতিয়া—কালিয়েই দিম বাৰু।”

ইতিমধ্যে সেই গাঁৱতে আন এটা অদ্ভুত ঘটনা ঘটিল।

যিজন দোকানীৰপৰা আমোদে চাদৰ কিনিছিল, তাৰ ডাঙৰ ল'ৰাটো হঠাৎ বেমাৰত পৰিল। ভালেকেইজনমান

চিকিৎসকেও ল'ৰাটোৰ যেতিয়া বেমাৰ ভাল কৰিব নোৱৰা হ'ল, তেতিয়া দোকানী ভদৰাম এজন সাধুৰ কাষ চাপিল।

সাধুৱে ল'ৰাটোক ভালকৈ পৰীক্ষা কৰি ভদৰামক ক'লে, "তোমাৰ পাপৰ ফলত তোমাৰ ল'ৰাৰ এই টান অসুখ হ'ল। মই দৰব দিম তাক ; কিন্তু তাৰ সলনি ময়ো টকা ল'ম।"

ভদৰামে টকাৰে দৰব ল'লে সাধুৰপৰা। কিন্তু সাতদিন ধৰি দৰব খুৱায়ো বেমাৰ ভাল নোহোৱাত ভদৰামে সাধুক ক'লেগৈ কথাটো। সাধুৱে ব্যৱসায়ীক ক'লে, "অসুখ যদি ভাল হোৱা নাই—তেনেহ'লে —তোমাৰ প্ৰদত্ত টকাখিনি ন্যায় পথৰ নহয় বুলি মই ক'ম।"

"তেনেহ'লে মই এতিয়া কি কৰোঁ। কওকচোন ?" দোকানী ভদৰামে অসহায়-ভাৱে সাধুক সুধিলে।

"চোৱাঁ, তুমি হ'লা বেপাৰী। তোমাৰ গ্ৰাহকসকলৰ মাজত ন্যায় পথেৰে আৰু কষ্ট কৰি উপাৰ্জন কৰা কাৰোবাৰ টকা লৈ আহাঁগৈ। তেতিয়া, তাৰ বিনিময়ত মই যি দৰব দিম তাৰে বেমাৰ তৎক্ষণাৎ ভাল হ'ব।" সাধুৱে ভদৰামক সকলো কথা বুজায় ক'লে।

বহু পৰলৈকে ভাবি ভাবি ভদৰামে আমোদে দিয়া টকা দহটা লৈ আহিলগৈ। সেই টকাৰ বিনিময়ত পোৱা দৰবে



তৎক্ষণাৎ গুণ দিলে। ল'ৰাটো ভাল হৈ উঠিল।

তেতিয়া সাধুৱে ক'লে, "চোৱাঁ, এই টকা দহটা সৎপথেৰে উপাৰ্জিত। যাৰ টকা তাক টকাকেইটা ঘূৰাই দিয়াঁগৈ। এই টকাকেইটাই আন কাৰোবাৰ উপকাৰ সাধিব পাৰিব।" ভদৰামে তৎক্ষণাৎ টকাকেইটা আমোদলৈ আন এজনৰ হতুৱাই পঠাই দিলে।

ইতিমধ্যে আন এটা ঘটনা ঘটিল। সেই গাঁৱৰ গাঁওবুঢ়াৰ ল'ৰাটোও টান অসুখত পৰি ককবকাবলৈ ধৰিলে। গাঁওবুঢ়ায়ো সাধুৰ কাষ চাপিল। সাধুৱে ল'ৰাটোক পৰীক্ষা কৰি গাঁওবুঢ়াক ক'লে, "তোমাৰ পাপৰ ফলত ল'ৰাটো বেমাৰত পৰিল। সজ-বাটেৰে অৰ্জা টকা যদি ক'ৰবাৰপৰা আনি দিব পাৰা, মই তোমাৰ ল'ৰাটোৰ বেমাৰ ভাল কৰি দিম।"

গাঁওবুঢ়াই দহ টকা দিলে। সাধুৱে অলপ ভস্ম ল'ৰাটোক খুৱালে; কিন্তু তাৰ বেমাৰ ভাল নহ'ল।

"তোমালোকৰ গাঁৱত দেখিছোঁ কাৰো ওচৰত কষ্টাৰ্জিত টকা নাই।" সাধুৱে ক'লে।

"মই তেন্তে আমোদৰপৰা টকাকেইটা খুজি আনোগৈনে?" গাঁওবুঢ়াই তেতিয়া সাধুক সুধিলে।

গাঁওবুঢ়া আমোদক বিচাৰি যাবলৈ ওলাল সাধুৱে তাক দি ক'লে, "শুনা, মোৰ কথা বুজিবলৈ চেষ্টা কৰাঁ। আমোদৰ টকা সজ-বাটেৰ অৰ্জা—সেই কথাত সন্দেহ নাই! কিন্তু পাছত ভদৰামে সেই টকাকেইটা আমোদক উপহাৰ হিচাপেহে দিছিল। গতিকে, সেই টকাও কষ্টাৰ্জিত টকা নহয়। আমোদৰ ওচৰত অন্য টকা আছে যদি—খুজি আনাগৈ।"

গাঁওবুঢ়াই পৰি আমোদৰপৰা সেই টকা দহোটা লৈ আহিলগৈ, সেই টকাৰে সাধুৰপৰা দৰৱ ল'লে, আৰু দৰৱ খুউৱাৰ লগে লগে ল'ৰাটোৰ অসুখ ভাল হ'ল।

গাঁওবুঢ়াই অবাক হৈ সাধুক ক'লেগৈ, "প্ৰভু, আমোদৰ টকাৰ মহিমা অপাৰ। মই যেতিয়া টকা খুজি গৈছিলোঁ, তাৰ ওচৰত তেতিয়া ভদৰামে উপহাৰস্বৰূপে দিয়া টকা কেইটাহে আছিল, আন টকা নাছিল। কথাটো অথনি আপোনাক কোৱা নাছিলোঁ। কিন্তু সেই টকাৰেই মোৰ ল'ৰাটোৰ অসুখ ভাল হ'ল কেনেকৈ?"

সাধুৱে ক'লে, "চোৱাঁ, ভদৰামে আমোদক উপহাৰ দিয়া বুলি মই ভাবিছিলোঁ। আচলতে সেই টকাকেইটা আমোদৰ প্ৰাপ্য আছিল চাগৈ। আগতে কেতিয়াবা ভদই আমোদক খুটুৰাই নিশ্চয় তাৰ প্ৰাপ্য ঠিকমতে দিয়া নাছিল। এই কাৰণেহে ইমানকৈ বেমাৰ-আজাৰ হয়। এজনৰ পাপৰ ফল আনজনে ভুঞ্জিবলগীয়া হয়।"

সাধুৱে কোৱা এই কথাষাৰ গাঁওবুঢ়াৰ মুখৰপৰা গাঁৱৰ সকলোৱে শুনিলে আৰু এক গাঁৱত অদ্ভুত আলোড়নৰ সৃষ্টি হ'ল। আগতে, গাঁৱৰ বহুতেই আমোদক খটুৱাই উপযুক্ত পাৰিশ্ৰমিক দিয়া নাছিল। যিহঁতে দিয়া নাছিল, বা কমকৈ দিছিল— সিহঁতৰ মনত ভয় সোমাল। সিহঁতে নিজে নিজেই উদ্যোগী হৈ, ভালেখিনি টকা গোটাই, আমোদৰ কাৰণে এটা ঘৰ সাজি দিয়াৰ উপৰিও দুহালিচা মাটিও দিলে। আমোদে সৰুৰেপৰা হাড়ভঙা খাটনি খাটিও পাইছিল কেৱল অনাহাৰ —এতিয়া সাধুৰ কৃপাত তাৰ সকলো হ'ল।

তাৰ পাছত আমোদে লখিমীক বিয়া কৰালে, বিয়াৰ পাছত সি খেতি-বাতিৰ কামত মনপুতি লাগিল।

কষ্টাৰ্জিত ধনেৰে যে ভাল কাম হয়, এই কথা অনুধাৱন কৰি গাঁৱৰ ৰাইজৰ মনতো পৰিৱৰ্তনৰ জোৱাৰ আহিল। তাৰ ফলত, সজ বাটেৰে উপাৰ্জন কৰিবলৈ চেষ্টা কৰি থাকিল আৰু আত্মিক উন্নতি হ'ল।

সস্তাৰ শাস্তি

কমলা আৰু তাইৰ গিৰিয়েক এখন গাঁৱলৈ গ'ল এটা বিশেষ শুভকাম উপলক্ষ্যে। কেই দিনমানৰ পাছত, তাৰ-পৰা ঘৰলৈ ওভতোঁতে গাঁৱৰ হাটত সস্তাত কেঁচাকল বেচা দেখি কমলাই তাইৰ গিৰিয়েক কমলক ক'লে, "এআশী কেঁচাকল কিনাচোন, বৰ সস্তা দেখিছোঁ।"

"এআশী কেঁচাকলেৰে কি কৰিবানো? ইমান কেঁচাকল খাব কোনে? তুমিয়ে-ময়েনো আৰু কিমান খাম? কমলে কমলাক ক'লে।

"হ'ব, তুমি কিনাচোন। কমেও পোন্ধৰ-বিছ দিন থাকিব। চাৰিটকাৰে এআশী কেঁচাকল পাইছা, আনত কমেও দহ টকা লাগিব। ছটকা লাভ। ইমান লাভ ক'ত পাবা?" কমলাই কক্‌ককাই ক'লে।

কমলে বাধ্যত পৰি কেঁচাকল এআশী ল'লে। কিনি ল'লে, কিন্তু কঢ়িয়াবনো কোনে? কোনে আৰু, কমলেই কঢ়িয়াব-লগা হ'ল। আধাছোৱা বাট কঢ়িউৱাৰ পাছত আৰু কঢ়িয়াব নোৱাৰি কমল ভাগৰি-জুগৰি ধুপুচকৈ বহি পৰিল। তেতিয়া কমলাই ভাবিলে: বাকী আধা-ছোৱা বাট আন কাৰোবাৰ মূৰত উঠাই দিলেই হ'ব। এনেয়ে দুটকা লাগিলহেঁতেন এতিয়া এটকাৰে হৈ যাব। —এই কথা ভাবি, কমলাই এজন বনুৱাক কলৰ আশীটো দিলে আৰু ঘৰ পালেগৈ।

পাছদিনাৰেপৰাই কলবিলাক পকিবলৈ ধৰিলে। কেঁচাকল পকিলেও অৱশ্য খাব পাৰি। সিহঁতে খালেও। পিছে এদিনতে বেছিকৈ খোৱাৰ ফলত বঁতিয়াওঁ বঁতিয়াওঁ

অনামিকা চৌধুৰী

যেন লাগিল। সিহঁতে ভাত ঠিক মতে খাব নোৱাৰিলে। কল খাই ঢোল হৈ কমলাই কমলক ক'লে, "দেখিলানে আমাৰ চাউল কিমান ৰাহি হ'ল!"

কমলে এই কথাত তৰ্কাতৰ্কি নকৰি হাঁহি মাৰি ক'লে, "কলআশী কিনি আমাৰ লাভেই লাভ হ'ল, খোৱা-খৰচো কমিল। পিছে—কিছুমান কল চুবুৰীয়াহঁতক দিলেহে ভাল হ'ব। পেলনি যোৱাতকৈ আনক খাবলৈ দিয়াটোহে ভাল। তুমি কি কোৱা?"

"সেইবোৰ মই নোৱাৰিম। বিলাই দিম বুলিহে ইমান দূৰৰপৰা কঢ়িয়াই আনিলোঁনে? চুবুৰীয়াহঁতে ভাবিব যে আমি এই কলবিলাক একদম বিনা পইচাৰে — মানে — ফোকটীয়াকৈহে পাইছোঁ ক'ৰবাৰপৰা।"

কমলে এই কথাৰ একো প্ৰতিবাদ নকৰিলে। দুই-চাৰিদিনৰ ভিতৰতে আটাই-বোৰ কল পকি হালধীয়া হ'ল। নিৰুপায়ত পৰি সিহঁতে দুয়ো সাজ ভাতৰ সলনি কলকে খাই থাকিল। কমলাৰ কটকটীয়া আদেশ: এটা কলো পেলনি নাযায় যেন। কিন্তু ইমান কল খোৱা সহজ কাম নাছিল, যদিও কল লৈ কাজিয়াৰ ভয়তে তিনিটা দিন সি-ও কল খাই কটালে।

ইমান কল খোৱাৰ ফলত দুয়ো বেমাৰত পৰিল। তাৰ ফলত চিকিৎসকক



মাতি আনিবলগা হ'ল। চিকিৎসকে ভালেখিনি টকা ল'লে। তেতিয়া কমলে কমলাক খঙতে গোৰগোৰাই উঠি ক'লে, "এতিয়া বুজিলানে, সস্তাৰ কেই অৱস্থা ? একালে ছটকা লাভ, আনফালে বিছ টকা লোকচান।"

"এটা কাম কৰা যাওক। তিনিদিন মান লঘোনে কটালে আমাৰ এই লোকচান উচুল হৈ যাব।" কমলাই কমলক বুজাই ক'লে।

"এইবোৰ কথা আৰু নক'বাচোন। লঘোনে থাকিলে আন এবিধ বেমাৰেও গৰা মাৰি ধৰিবহি পাৰে। এনেও মই পেটৰ বিষত হাৰাশাস্তি হৈছোঁ। সেইবোৰ আৰু নোৱাৰিম, তোমাক কৈ থৈছোঁ।" এই বুলি কৈ, কমল তেতিয়াই আকৌ তুপতুপাই চিকিৎসকৰ ওচৰলৈ গ'ল আৰু ভালকৈ বুজাই কৈ-মেলি,নগদ চাৰি টকা খৰচ কৰি দৰব লৈ আহিলগৈ।

দুই-তিনি দিনৰ ভিতৰত কমলৰ পেটৰ অসুখ ভাল হ'ল ; কিন্তু কমলাৰ ভাল নহ'ল। কমলাৰ ভাল নোহোৱাৰ এটা কাৰণ আছিল এয়ে যে, কমলাই চিকিৎসকে কোৱা মতে দিনে চাৰিটাকৈ বৰি খোৱা নাছিল, এটাকৈহে খাইছিল। এই কাৰণে কমলাৰ পেটৰ বেমাৰ পেটতে থাকিল, ভাল নহ'ল। চিকিৎসকক আকৌ মাতিবলগাও হ'ল আৰু পুনৰ এজাপ টকা ভৰিবলগা হ'ল।

চিকিৎসকে কমলাক ক'লে, "মই যেনেকৈ দৰব খাবলৈ কৈছোঁ, তেনেকৈ খালেহে বেমাৰ ভাল হ'ব, নহ'লে নহ'ব, কেতিয়াও ভাল নহ'ব। এই দৰব খালে হয় বেমাৰ নহ'লেও বেমাৰি গুচিবই।"

এইবাৰ যে চিকিৎসকক ঢেৰ বেছি টকা দিবলগা হ'ল কমলাৰ কটকিণানিলৰ ভয়তে কমলে কমলাক কোৱা নাছিল।

গৌতম বুদ্ধৰ আগমনলৈ বাট চাই সমগ্ৰ কপিলাবস্তু তেতিয়া উখল-মাখল। সমগ্ৰ বিশ্বই যিজনৰ মহান বাণীক সানন্দে-সাদৰে গ্ৰহণ কৰিছে, তেওঁক আহ্বান জনাবলৈ কপিলাবস্তুৰ আপামৰ জনসাধাৰণ এক অসাধাৰণ আবেগ জোৱাৰত উঠি উদ্বেলিত হৈ উঠিল।

পুত্ৰক আঁকোৱালি ল'বলৈ বৃদ্ধ মহাৰাজ শুদ্ধোধনেও উৎকণ্ঠাৰে বাট চাই ৰৈ আছিল বহু সময়ৰপৰা।

গৌতমবুদ্ধ আহি আছিল। তেওঁৰ নেত্ৰদ্বয় আছিল অৰ্ধ-নিমীলিত, মস্তক সমুন্নত, মুখমণ্ডল শান্ত-গহীন-সুস্থিৰ। তেওঁৰ পিছে পিছে ধীৰ গতিৰে আহি-থকা সকলৰপৰা শুৱলাকৈ শুনা গৈছিল এই বাণী : 'বুদ্ধং শৰণং গচ্ছামি, ধৰ্মং শৰণং গচ্ছামি, সংঘং শৰণং গচ্ছামি'।

যশোধাৰা, ৰাহুল আৰু মহাৰাজ শুদ্ধোধন ৰাজপ্ৰাসাদৰ তোৰণদ্বাৰত গৌতম বুদ্ধৰ বাট চাই বহি আছিল। তেওঁলোকৰ লগ লাগি আন এজনো ৰৈ আছিল, সেইজন হ'ল গৌতম বুদ্ধৰ এসময়ৰ দিনে নিশাৰ সংগী সাৰথি। সাৰথিৰ চকুত আনন্দাশ্ৰু।

ভিক্ষাপাত্ৰ হাতত লৈ বুদ্ধ ৰাজপ্ৰাদৰ দ্বাৰদেশত ৰ'লহি। ৰাহুল লৰৰি গ'ল তাৰ পিতৃৰ ওচৰলৈ। অপলক দৃষ্টিৰে যশোধাৰাই চাই থাকিল স্বামীলৈ।

'ধৰ্মং শৰণং গচ্ছামি'



যশোধাৰাৰ দুগাল তিয়াই চকুলো বৈ গ'ল। তেওঁ স্বামীক প্ৰণাম কৰিলে। যশোধাৰাৰ উষ্ণ অশ্ৰুৰে বুদ্ধৰ চৰণদ্বয় সিক্ত হ'ল।

মহাৰাজ শুদ্ধোধনে ইমান সময় ধৰি পুত্ৰক আঁকোৱালি ল'বলৈ উদগ্ৰীৱ হৈ ৰৈ আছিল ; কিন্তু গৌতম বুদ্ধ আগুৱাই অহাৰ লগে লগে তেওঁ যেনিবা নিশ্চল হৈ পৰিল। পুত্ৰৰ হাতত ভিক্ষাপাত্ৰ, পিন্ধনত পৰিব্ৰাজকৰ সাজ-পাৰ দেখা পাই বৃদ্ধ পিতৃৰ মনত বেদনাৰ জোৱাৰ বৈ গ'ল। তেওঁৰ দুচকুৰপৰা লোতক বাগৰি আহিল। কণ্ঠ হল ৰুদ্ধ।

"বোপা, সিদ্ধাৰ্থ মোৰ! তুমি ৰজাৰ কোঁৱৰ, এয়ানো কি সাজেৰে সজ্জিত হৈছা? তোমাৰ হাততনো সেয়া কি?" এই বুলি কৈ কৈ ভিক্ষুৰূপী পুত্ৰ গৌতম বুদ্ধৰ পিনে আগুৱাই আহি থাকোঁতে বৃদ্ধ মহাৰাজ শুদ্ধোধন আচম্বিতে মূৰ্ছিত হৈ পৰিল।

গৌতমে তেওঁৰ পিতৃৰ মস্তক কোলাত তুলি লোৱাৰ লগে লগেই শুদ্ধোধনে পুনৰ চেতনা ঘূৰাই পালে। গৌতমে তেওঁৰ পিতৃক ক'লে, "দেউতা, তুমি মোৰ প্ৰণাম গ্ৰহণ কৰাঁ। মই মোৰ সাধনাত বহু কষ্টেৰে সিদ্ধিলাভ কৰি, সিদ্ধাৰ্থ হৈ পুনৰ ইয়ালৈ আহিছোঁ।"

বুদ্ধৰ কথাই যেনিবা শুদ্ধোধনৰ কৰ্ণত অমৃত ঢালিলে। শুদ্ধোধনে বুদ্ধৰ চকুত নতুন জ্যোতি দেখা পালে। আৰু দেখা পালে—বুদ্ধৰ মুখমণ্ডলত এক অতি অপূৰ্ব দিব্যজ্যোতিঃ।

শুদ্ধোধনৰ হৃদয়-মনৰপৰা অশান্তি গুচি আনন্দৰ জোৱাৰ উথলি উঠিল। তেওঁ যেনিবা এন্ধাৰৰপৰা পোহৰলৈ আহিল। তেওঁ যেনিবা ভ্ৰম-ৰ জগতৰপৰা সত্যৰ জগতলৈ আহিল। বুদ্ধং শৰং গচ্ছামি' তেওঁৰ কাণত ধ্বনিত-প্ৰতিধ্বনিত হ'বলৈ ধৰিলে। নিজৰ অজ্ঞাতেই মহাৰজা



শুদ্ধোধনে কেতিয়া যে এই শ্লোক উচ্চাৰণ কৰি থাকিল—তেওঁ নিজেও সেই কথা বুজিব নোৱাৰিলে।

ৰাহুলৰ মুখতো এই অমোঘ বাণী শুনা গ'ল, আৰু মুদ্রিতনয়না যশোধাৰায়ো এই এই একেবোৰ বাণী সঘনে কৈ আছিল—'বুদ্ধং শৰণং গচ্ছামি, ধৰ্মং শৰণং গচ্ছামি, সংঘং শৰণং গচ্ছামি···।

বুদ্ধই ৰাহুলক কৈ আছিল, "বোপা, তুমিও বুদ্ধত্ব লাভ কৰি, বুদ্ধ হৈ ধৰ্মক আৰু সংঘক অনুসৰণ কৰি মানৱতাৰ প্ৰচাৰ কৰি থাকিবা—তোমাক মই এই আশীৰ্বাদ কৰিছোঁ। 'বুদ্ধ' শব্দৰ অৰ্থ কি জানানে? কেৱল ময়েই বুদ্ধ নহওঁ কিন্তু। উত্তম ধৰ্ম আৰু অহিংসাৰ বাটেৰে চলাজনেই 'বুদ্ধ'। প্ৰকৃত মানৱতা হ'ল বুদ্ধত্ব। যিজনেই বুদ্ধত্ব আৰ্জিব পাৰিছে—তেৱেঁই বুদ্ধ। যিগৰাকী মানৱে তেওঁৰ মানৱজনম বৌদ্ধত্বৰ যোগে সাৰ্থক কৰি তুলিব, তেৱেঁই এই জগতত বুদ্ধ নামেৰে অভিহিত হ'ব। বৌদ্ধত্বৰ মাজতে আছে অপাৰ শান্তি। ধৰ্ম হ'ল জগতৰ শৰণ। বুদ্ধৰ সৈতে সাঙোৰ খাই থকাসকলেই জগতৰ শৰণ।"

ইমান পৰে যশোধাৰা যেনিবা স্বপ্ন-জগতত আছিল। তেওঁ লাহেকৈ চকু মেলি চাই গৌতমবুদ্ধক ক'লে, "হে স্বামি, মই ভিক্ষাৰ বস্তু ৰূপে তোমালৈ নিজক সমৰ্পণ কৰিছোঁ। মুহূৰ্তৰ আগতেও মই তোমাৰ পত্নী হৈ আছিলোঁ, এতিয়াৰপৰা মই নিজক মানৱসেৱালৈ উছৰ্গা কৰিছোঁ। তোমাৰ পদাংক অনুসৰণ কৰাটোহে এতিয়াৰপৰা মোৰ ধৰ্ম হ'ব। নাৰীসকলেও যাতে তোমাৰ বাণী পুৰুষৰ দৰে উচ্চাৰণ কৰিব পাৰে, তোমাক স্বাধীনভাৱে অনুসৰণ কৰিব পাৰে—দয়া কৰি তাৰ বাবে আমাক অনুমতি দিয়া।"

এইদৰে, যশোধাৰা বুদ্ধৰ প্ৰথম নাৰীশিষ্য হ'ল।



ক্ষৰাৰ হেতু নাই। মোক কোনোবাই ঈশ্বৰক পূজা কৰাদি পূজা কৰক—এই অবাঞ্ছিত কাৰ্য্য মোক নালাগে। ব্যক্তি-পূজা নিৰৰ্থক, আনকি ঈশ্বৰ চিন্তাও অৰ্থহীন। মানুহে প্ৰকৃত মানৱধৰ্ম অনুসৰণ কৰাটোহে একমাত্ৰ আৱশ্যকীয় কথা।

বুদ্ধৰ কথাৰ উত্তৰত সাৰথিয়ে ক'লে, "আমি যদি তোমাক 'ভগৱান বুদ্ধ' বুলি কৈ শান্তি লভোঁ, তোমাৰনো ক্ষতি কি? ধৰ্মাচৰণ আৰু সংঘসেৱা যদি কৰিব পাৰোঁ, ভগৱান বুদ্ধৰ নাম উচ্চাৰণ নকৰিমনো কিয়? আমাৰ এইকণ স্বাধীনতা থকা উচিত নহয়নে?"

ইমান পৰে সেই সাৰথিয়ে বুদ্ধক দেৱতাজ্ঞানে হাতযোৰ কৰি বাৰে বাৰে প্ৰণাম কৰি আছিল। বুদ্ধই সাৰথিৰ গায়ে-মূৰে হাত ফুৰাই ক'লে, "তুমি না মোক এনেকৈ নমস্কাৰ কৰিছা কিয়? তোমাৰ সহায়তাৰেহে মই এই সীমাবদ্ধ জগত এৰি বিশাল বিশ্বৰ প্ৰাণে প্ৰাণে বিয়পি পৰিব পাৰিছিলোঁ। সেই সিদিনা তুমি মোক ৰাজধানীৰ বাহিৰলৈ লৈ নোযোৱাহেঁতেন, জগতৰ সত্যক মই কিজানি— কোনোদিনেই নাজানিলেহেঁতেন। মানুহৰ প্ৰকৃত ধৰ্ম কী—সেই কথা কোৱাৰ বাবে মোক ঈশ্বৰ দৰে ভক্তি

অতঃপৰ, বহুতেই বুদ্ধক 'ভগৱান বুদ্ধ' বুলি প্ৰণাম কৰিলে। কোনো কোনোবাই বুদ্ধক 'বুদ্ধদেৱ' বুলি অভিহিত কৰি আৰাধনা কৰি থাকিল।

শাক্যবংশৰ কেইজনমানৰ বাহিৰে অন্যান্য সকলোটিয়েই বৌদ্ধধৰ্ম গ্ৰহণ কৰিছিল, বুদ্ধৰ বাণীসমূহ প্ৰচাৰ কৰিছিল। তেওঁলোকে ভিক্ষু হৈ, সংঘলৈ নিজ নিজ সা-সম্পদ সমৰ্পণ কৰি, সংঘৰ কামতে জীৱন তেওঁলোকৰ সমগ্ৰ পাতিৰ উছৰ্গা কৰিলে।

শাক্যবংশৰ একমাত্ৰ দেৱদত্তইহে বুদ্ধৰ বাণীৰ বিৰোধিতা কৰি বুদ্ধবিৰোধীহঁতক

সংগঠিত কৰি থাকিল।

তাৰ পাছত এদিন কপিলাবস্তু নগৰৰ-পৰা বুদ্ধই গুচি যাবলৈ মন মেলিলে। কপিলাবস্তুলৈ উভতি আহোঁতে যিমান মানুহ-মুনিহৰ সমাগম হৈছিল, কপিলাবস্তু এৰি গুচি যাওঁতে তাৰ সংখ্যা বহুগুণে বাঢ়িল। যশোধাৰা, ৰাহুল আদিও আছিল বুদ্ধৰ অনুগামী হিচাপে। গৈ গৈ সুজাতাৰ ঘৰৰ আগত ভিক্ষাপাত্ৰ হাতত লৈ বুদ্ধ ৰ'লগৈ।



সুজাতা বুদ্ধৰ শিষ্যা হ'ল। তাৰ পাছত অসংখ্য নাৰীয়ে বুদ্ধক অনুসৰণ কৰি নিজ নিজ সন্তানক প্ৰকৃত মানুহ ৰূপে গঢ়ি তুলিবলৈ প্ৰয়াস কৰি থাকিল।

বুদ্ধই তেওঁৰ শিষ্যসকলক চাৰিওফালে প্ৰেৰণ কৰিলে আৰু যশোধাৰা আৰু ৰাহুলক শুদ্ধোধনৰ সেৱা কৰিবলৈ আৰু শাক্যবংশৰ উত্তৰাধিকাৰীসকলক ধৰ্মপথেৰে চালনা কৰিবলৈ কপিলাবস্তুলৈ পঠালে।

আৰু অকলশৰীয়া বুদ্ধই খোজ ল'লে অৰণ্যলৈ। অৰণ্যলৈ যাওঁতে বহুতেই বুদ্ধক বাধা দিলে আৰু ক'লে, "আপুনি সেই অৰণ্যলৈ নাযাব। তাত অংগুলিমাল নামৰ এক ভয়ংকৰ ডকাইত আছে। সি মানুহৰ সকলো বয়-বস্তু কাঢ়ি লৈ, বুঢ়া আঙুলি কাটি নিয়ে, আৰু সেই আঙুলিৰে মালা গুঠি ডিঙিত পিন্ধে। সি আপোনাৰো বুঢ়া আঙুলি দুটা কাটি নোলোৱাকৈ নেৰে।" বুদ্ধক এই কথা কোৱাহঁতৰ মাজত ভেড়াৰখীয়াৰ সংখ্যাই আছিল অধিক। কিন্তু বুদ্ধই সিহঁতৰ কথালৈ কাণসাৰ নকৰি সেই ভয়ংকৰ অৰণ্যলৈ আগবাঢ়ি গৈ থাকিল।

বুদ্ধই গভীৰ অৰণ্যলৈ প্ৰবেশ কৰিলে আৰু অংগুলিমালেও তেওঁক দেখা পালে। লগে লগে তৰোৱাল দাঙি বুদ্ধৰ আগত যমদূতহেন আবিৰ্ভূত হৈ অংগুলিমালে বুদ্ধক সুধিলেহি, "তুমি কোন? তোমাৰ বস্ত্ৰৰ আঁৰত সেইটো কি আছে? বস্তুটো



তুৰন্তে মোক দিয়া।”

বুদ্ধই হাঁহি মাৰি তেওঁৰ হাতত থকা ভিক্ষাপাত্ৰটো অংগুলিমালক দিলে।

ভিক্ষাপাত্ৰটো ঘূৰাই-ফিৰাই ভালকৈ লাৰি-চাৰি দেখি অংগুলিমালে চকু পকাই বুদ্ধক ক'লে, “মোৰ আগত থিয় হৈ তুমি হাঁহিছা? তোমাৰ সাহস তো কম নহয়! মই কোন—তুমি জানানে?”

“তুমি এজন মানুহ, ময়ো। তোমাকনো ভয় কৰিম কিয়?” বুদ্ধদেৱে ক'লে তাক।

“তুমি যদি তোমাৰ বুঢ়া আঙুলি দুটা মোক কাটি ল'বলৈ নিদিয়া, মই তোমাকেই কাটি দুছোৰা কৰি পেলাম। তেতিয়া বুজি পাবা তুমি কি, আৰু মই কোন।” ডকাইত অংগুলিমালে ডাঠি ক'লে বুদ্ধদেৱক।

“তুমি মোক মাৰি পেলাবা, হত্যা কৰিবা, ইমানেই নহয়নে বাৰু? শুনা, এদিন তো মৰিবই লাগিব। মোক যদি মাৰি পেলাব খুজিছা, মাৰা। মই ৰংমনেই তোমাৰ হাতত মৃত্যুবৰণ কৰিম। আজি মোক মাৰিবা, কালিলৈ চাগৈ তুমি মৰিবা। তুমি বাৰু মোৰ দৰে নিশ্চিত মনেৰে হাঁহি হাঁহি মৃত্যুক আঁকোৱালি ল'ব পাৰিবানে? মই কোনোদিনে প্ৰাণীহত্যা কৰা নাই। নকৰোঁও। প্ৰাণীহত্যাকাৰীহঁত ঘোৰ পাপী। পাপীৰপৰা সহস্ৰ আঘাত মই সহিব পাৰিম, তোমাৰ তৰৱাৰিৰ আঘাতো অতি তুচ্ছ। কিন্তু ইমান যে শক্তিশালী তুমি অংগুলিমাল, তুমি মোৰ দৰে, এজন নিৰস্ত্ৰ মানুহৰ দৰে নিষ্কম্প-ভাৱে মৃত্যুক আঁকোৱালি ল'ব পাৰিবানে? মৃত্যুৱে যেতিয়া হাতবাউল দিব—মোৰ দৰে হাঁহি-মাতি তালৈ সঁহাৰি জনাব পাৰিবানে?” বুদ্ধই পৰম শান্তভাৱে ভয়ংকতম ডকাইত অংগুলিমালক ক'লে।

বুদ্ধৰ কথা শুনি ডকাইত অংগুলিমাল বিহ্বল-বিভ্ৰান্ত যেন হৈ পৰিল। তাৰ মনত গভীৰ চিন্তাৰ সাগৰে আঘাত


Sankar

কৰিলেহি যেন। অতীত জীৱনত সি কিমান যে পাপ কৰিছে—সকলো একে একে মনত পৰিবলৈ ধৰিলে। এই পাপৰ প্ৰায়শ্চিত্ত কৰিবলৈ সি ব্যগ্ৰ হৈ উঠিল। কিন্তু কেনেকৈনো মই পাপৰপৰা নিষ্কৃতি লাভ কৰিব পাৰিম? জগতৰ কোনেনো মোক আঁকোৱালি ল'ব? —অংগুলিমালে গভীৰভাৱে ভাবি থাকিল।

হঠাৎ—আচম্বিতে অংগুলিমালৰ মনত পৰিল বুদ্ধৰ কথা। সি ভাবিলে: এক-মাথোন বুদ্ধইহে মোক পাপৰপৰা উদ্ধাৰ কৰিব পাৰিব। সি বুদ্ধক সুঁৱৰিলে। এই নাম সুঁৱৰি থাকোঁতে হঠাৎ তাৰ মুখৰপৰা ওলাল: "বুদ্ধং শৰণং গচ্ছামি..."

"অংগুলিমাল, তুমি যাক সুঁৱৰিছা, ময়েই সেই বুদ্ধ। তোমাকেই বিচাৰি মই এই অটব্য অৰণ্য পাইছোঁহি আৰু তোমাক দেখা পোৱামাত্ৰেই তোমাৰ হাতত ভিক্ষাপাত্ৰ গটাই দিছোঁ। তুমি নিজৰ অতীতৰ কথা পাহৰি যোৱা। বৌদ্ধ ভিক্ষু হৈ, ব'লা মোৰে সৈতে মানুহৰ দুৱাৰে দুৱাৰে। ব'লা, আমি একেলগে যাওঁ।" বুদ্ধই অংগুলিমালক ক'লে।

"হে ভগৱান বুদ্ধ। এই বুলি কৈ, অংগুলিমাল বুদ্ধৰ চৰণত দীঘল দি পৰিল আৰু ক'লে, "ভগৱান বুদ্ধ, কেৱল মোৰ মুক্তিৰ মই শান্তি নাপাম। মোৰ দৰে নিকৃষ্ট পাপীকো যেতিয়া গ্ৰহণ কৰিছা, তেতিয়া মোৰ সহচৰবিলাককো গ্ৰহণ কৰাঁ।" পাছ মুহূৰ্ততে অংগুলিমালৰ দলৰ ডকাইতবিলাকে সেই পৰম শান্ত গৌতম বুদ্ধৰ চৰণত প্ৰণাম কৰিলেহি আৰু বুদ্ধই সিহঁতক আঁকোৱালি ল'লে তেওঁৰ বুকুৰ মাজত।

কেৱল অংগুলিমালেই নহয়, তাৰ দৰে অসংখ্য ধৰ্মদ্বেষী অত্যাচাৰীয়ে বুদ্ধৰ শিষ্যত্ব গ্ৰহণ কৰি, ভিক্ষু হৈ, সংঘৰ সেৱাত জীৱন উছৰ্গা কৰিছিল।

চিকিৎসক

শিৱপুৰত ৰামনাথ নামৰ এজন চিকিৎসক আছিল। তেওঁ ধনী-দুখীয়া সকলোটিৰেপৰাই সমান পইচা লৈছিল। কোনোবাই কমকৈ দিলেও তেওঁ একো নকৈছিল। কিন্তু কোনোৰ ধনী মানুহে বেছিকৈ দিলে তেওঁ বেছি দিয়াখিনি ওভোতাই দিছিল।

এনিশা ৰামনাথ যেতিয়া গভীৰ নিদ্ৰাত আচ্ছন্ন আছিল, তেতিয়া দুৱাৰ খট-খটোৱাৰ শব্দত তেওঁ সাৰ পাই গ'ল। তেওঁ দুৱাৰ খুলি এজন বুঢ়া আৰু এজন যুৱকক তত দেখ প'লে। যুৱকজন চুবুৰীয়া গাঁৱৰপৰ আহিছে, তাৰ ভনীয়েক হেনো পেটৰ বিষত ছটফটাইছে। অ'ক বুঢ় মানুহজন আছিল ৰামনাথৰ গাঁৱৰে। তেওঁৰ নাতিনীয়েকৰ হেনো ক'লা-জ্বৰ হৈছে অতি বেয়া অৱস্থ তাইৰ।

ৰামনাথে সুধিলে, "আপোনালোকৰ মাজত দৰবৰ পইচা-প'তি কোনে ঠিকমতে দিব পাৰিব কওকচোন?"

যুৱকে লগে লগে কৈ উঠিল, "মোৰ টকাৰ অভাৱ নাই। আপোনাক যিমান লাগে সিমানেই দিব পাৰিম মই।"

বুঢ়াই তলমূৰ হৈ থিয় হৈ থাকিল। ৰমানাথে বুঢ়ালৈ এবাৰ চাই যুৱকক ক'লে, "অলপ আঁতৰত কৃষ্ণ আচাৰ্য্য নামৰ এগৰাকী ভাল চিকিৎসক আছে। তেওঁ টকা নোলোৱাকৈ কাকো দৰব-পাতি নিদিয়ে। আপুনি অনুগ্ৰহ কৰি তেওঁক মাতি লৈ যাওক। মই আপোনাৰ লগত যওঁ যদি—এই বৃদ্ধ মানুহজনে কৃষ্ণ আচাৰ্য্যক লৈ যাব নোৱাৰিব। তাৰ ফলত তেওঁৰ ঘৰত বিপদ ঘটিব পাৰে। আপুনি বেয়া নাপাব।" এই বুলি কৈ ৰামনাথে বুঢ়াৰ ঘৰলৈ বুলি খোজ ল'লে।

শিক্ষকৰ শিক্ষা

ইৰাকদেশৰ মাদ্ৰাছা এখনত হাছান আব্‌দেল নামৰ এগৰাকী নতুন শিক্ষকক নিযুক্তি দিয়া হ'ল। শিক্ষক হাছানে ভাবিছিল : যি পদ্ধতিৰে মই পঢ়াওঁ আৰু ছাত্ৰে শিকে, তেনেকুৱাকৈ আন কোনোবাই পঢ়াব নোৱাৰে, শিকাব নোৱাৰে, আৰু ছাত্ৰেও শিকিব নোৱাৰে। তেওঁ আৰু ভাবিছিল : শিক্ষক হিচাপে মই যিমান কঠোৰ আৰু ভাল সিমান কঠোৰ তথা ভাল কোনো এজন শিক্ষকো দুনীয়াত নাই।

কোনোবা ছাত্ৰই শ্ৰেণীত সোমাওঁতে কেইমুহূৰ্তমান পলম কৰিলেই চাৰি কোব বেত খাবলগীয়া হৈছিল। আৰু শ্ৰেণীত বহি পঢ়ি থাকোঁতে, বা শিক্ষকৰ বচন শুনোঁতে অমনোযোগী হৈ ইফালে-সিফালে চালে—দহ কোব। আৰু—কোনোবা ছাত্ৰে হাঁচি মাৰিলে—একেবাৰে সৰ্বনাশ! শ্ৰেণীৰ প্ৰতিজন ছাত্ৰেই একোবকৈ বেত খাব আৰু লগতে মাফিও মাঙিব লাগিছিল আৰু ওপৰলৈ হাত দাঙি আল্লাৰপৰা দোৱা (আশীৰ্বাদ) মাঙিব লাগিছিল।

ছাত্ৰহঁতৰ প্ৰতি ইমান কঠোৰ নহ'বলৈ হাছানক তেওঁৰ কেইগৰাকীমান সহকৰ্মীয়ে পৰামৰ্শ আগবঢ়াইছিল। কিন্তু তেওঁলোকৰ পৰামৰ্শলৈ ভ্ৰূক্ষেপো নকৰি হাছানে তেওঁলোকক ক'লে, "বেতৰ ভয় নথকা হ'লে সিহঁত আৰু বেয়া হ'ব। আৰু এজনৰ দোষত আটাইবিলাকক শাস্তি দিয়াৰ অৰ্থ হ'ল—সিহঁতৰ মাজত একতাৰ সৃষ্টি কৰাহে, আন একোৱেই নহয়।"

'আৰবদেশ দাস্তাঁ (সাধু)'

সহকৰ্মীসকলে বেয়া পালে কি হ'ব—হাছান আব্দেলৰ শিক্ষা-পদ্ধতি দেখি আৰু শুনি ছাত্ৰইঁতৰ অভিভাৱকসকলে ভালেই পাইছিল। তেওঁলোকে কোৱাকুই কৰিছিল ঃ হাছানৰ শিক্ষতাৰ গুণত আমাৰ ল'ৰাইঁত যে দিমাগদাৰ (বুদ্ধিমান) হৈছে —সেই কথাত সন্দেহ নাই। আৰু হাছান শিক্ষকে কেৱল পঢ়া-লিখা শিকায়েই তেওঁৰ কৰ্তব্য নাসামৰে, তেওঁ ছাত্ৰইঁতৰ মাজত ঐক্য আৰু শৃংখলাবোধও জগাই তুলিছে।

এই মাদ্ৰাছাৰ ছাত্ৰইঁত প্ৰতি বছৰ নগৰলৈ ফুৰিবলৈ গৈছিল। হাছানৰ লগত যোৱা ছাত্ৰইঁতে নগৰভ্ৰমণৰ অন্তত উভতি আহোঁতে খোৱাপানী খুজিলে হাছানৰ-পৰা। হাছান মৌলবীয়ে ইফালে সিফালে চাই, এটা কুঁৱা দেখা পাই ছাত্ৰইঁতক ক'লে, কুঁৱাৰপৰা পানী খাবলৈ। কিন্তু ছাত্ৰইঁতে বহু চেষ্টা কৰিও এলোটা পানীও তুলিব নোৱাৰিলে কুঁৱাৰপৰা। ছাত্ৰইঁতে নোৱৰা দেখি হাছান মৌলবীয়ে ক'লে ছাত্ৰইঁতক, "তোমালোকে নোৱাৰিছাই যেতিয়া, মই এইবাৰ চেষ্টা কৰি চাওঁ। পানীৰ পাত্ৰ—মানে সেই ডাঙৰ লোটাটো লৈ মই কুঁৱাৰ ভিতৰলৈ নামি যাম। এই ৰছীডাল মোৰ কঁকালত বন্ধা থাকিব। প্ৰথমে মই পানীৰ পাত্ৰৰ লগত ৰছীডাল বান্ধি দিম, তোমালোকে পানী টানি



তুলিবা, তাৰ পাছত মোক টানি তুলিলেই হ'ল, বছ।" এই বুলি কৈ, কঁকালত ৰছী বান্ধি লৈ, হাছান মওলবী কুঁৱাৰ ভিতৰত নামিলগৈ আৰু ছাত্ৰহঁতে সেই ৰছীডালৰ এমূৰত ধৰি থাকিল।

কুঁৱাৰ ভিতৰত নামি হাছানে দেখিলে যে কুঁৱাৰ সোঁমাজত ডাঙৰ শিল এচটা পৰি আছে আৰু তাৰ ফলত পানী নোপোৱা হৈছে। হাছান মওলবীয়ে শীলচটা গুচাই দিলে আৰু ওপৰত থকা ছাত্ৰহঁতে পানী টানি তুলিলে। এইদৰে পাঁচবাৰ হাছানে পানী ভৰাই দিলে, আৰু ছাত্ৰহঁতে টানি তুলিলে। তাৰ পাছত হাছানে নিজৰ কঁকালত ৰছী বান্ধিলে আৰু তেওঁক টানি তুলিবলৈ ছাত্ৰহঁতক চিঞৰি চিঞৰি ক'লে।

ছাত্ৰহঁতে মওলবী হাছান আব্দেলক ৰছীবন্ধা অবস্থাত টানি তুলি থাকিল। যেতিয়া আৰু চাৰি-পাঁচহাতমান তুলিবলৈ বাকী, তেতিয়া হঠাৎ এজন ছাত্ৰৰে হাঁচি মাৰিলে আৰু লগে লগে ছাত্ৰহঁতে একেলগে ৰছী এৰি ওপৰলৈ হাত দাঙি আল্লাৰপৰা মাফি আৰু দোৱা মাঙিবলৈ ধৰিলে।

ছাত্ৰহঁতে কি ভুল কৰিলে—সেই কথা তলকিবলৈ নৌ পাওঁতেই সিহঁতৰ মওলবী হাছান তললৈ থেকেচা খাই পৰিলগৈ আৰু তেওঁৰ কঁকাল ভাগিল। কুঁৱাৰ ভিতৰত হাছান মওলবী আৰু ওপৰত ছাত্ৰহঁতে চিঞৰি থাকিল। চাওঁতে চাওঁতে তাত বহু মানুহ গোট খাই পৰিল। তেওঁলোকে বহু চেষ্টা আৰু কষ্টেৰে বিজ্ঞ শিক্ষক সেই হাছান মওলৱীক কুঁৱাৰপৰা উঠাই আনিলে।

এই ঘটনাৰ পাছৰপৰা আন কোনো-দিনেই কোনো অপৰাধৰ বাবে ছাত্ৰহঁতে সিহঁতৰ হাত দাঙি আল্লাৰপৰা মাফি মাঙিবলগীয়া নহৈছিল।

অ-বিবেচক

ভূপতিৰ ছোৱালীজনীৰ বিয়াৰ বয়স হ'ল। বহু চেষ্টাৰ অন্তত এজন সুপাত্ৰৰ সন্ধানো পোৱা হ'ল ৰামপুৰ গাঁৱত। পাত্ৰৰ দেউতাক বীৰেনে আন কেইজনমানক লগত লৈ ভূপতিহঁত গাঁৱলৈ গ'ল কইনা চাবলৈ। তাৰ পাছত এদিন ভূপতিয়ে তাৰ বন্ধু পৰিমলক লগত লৈ ৰামপুৰলৈ গ'ল বিয়াৰ দিন-খেণ স্থিৰ কৰিবলৈ। তদুপৰি, বিয়াৰ যৌতুকাদিৰ কথাও পাতিব লাগিব। বিয়াত দেনা-পাওনা বোলা কথা আছে। কেৱল দৰাৰ বাপেক বীৰেনেই নহয়, আলোচনাত গাঁৱৰ মূধাফুটা কেইগৰাকীমানেও অংশগ্ৰহণ কৰিছিল।

তেওঁলোকে যেতিয়া কথা পাতি আছিল, তেতিয়া বীৰেনৰ ছোৱালীজনী কান্দি কান্দি ঘৰলৈ আহিল। তায়ো আছিল বিবাহযোগ্যা।

বীৰেনে তেওঁৰ ছোৱালীজনীক কন্দাৰ কাৰণ সোধাত ছোৱালীজনীয়ে ক'লে, "দেউতা, মই শিৱদ'লৰপৰা ঘৰলৈ আহোঁতে ভদায়ে মোৰ বেণীত ধৰি টানি দিলে।"

"ভদাই হ'ল এটা গুণ্ডা। গুণ্ডাই গুণ্ডাৰ কাম কৰিবই। পিছে—তইনো অকলে অকলে মন্দিৰলৈ গৈছিলি কিয়?" দেউতাক বীৰেনে সুধিলে।

"ময়ো তোক বহুবাৰ হাক দিছেঁ—অকলশৰীয়াকৈ নোলাবলৈ। ওলাইছিলিনো কিয়?" ককায়েক ডাবি মাৰি ক'লে।

"মই এতিয়া যাওঁহে, ডাঙৰীয়া।" বীৰেনক এই বুলি কৈ, ভূপতিয়ে তৎক্ষণাৎ ঘৰলৈ বুলি খোজ ল'লে

বাটত পৰিমলে ভূপতিক সুধিলে, "তুমি তেনেকৈ গুচি আহিলা কিয়? তোমাৰ এই আচৰণ কিন্তু অপ্ৰত্যাশিত"

এই কথ'ৰ উত্তৰত ভূপতিয়ে পৰিমলক ক'লে, "ঘৰৰ ছোৱালীক গুণ্ডা এটাই অপমান কৰিলে। কিন্তু তাইৰ দেউতাক আৰু ককায়েকে গুণ্ডাটোক একো নক'লে, মাত্ৰ ছোৱালীজনীকহে ডবিয়ালে। মোৰ ছোৱালীজনীও কেতিয়াবা এনেকুৱা অপমানত পৰিব পাৰে আৰু তেনেকুৱা অপমানত পৰিলে তাইকহে এওঁলোকে ডাবি-ধমকি দিব। ইয়াত মই ছোৱালী নিদিওঁ।"



ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৫ চনৰ এপ্ৰিল সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৪ চনৰ ফেব্ৰুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৪ চনৰ ডিছেম্বাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : ৰেল আলি জুপি জুপি

দ্বিতীয় ফটো : বাট বোলোঁ খুপি খুপি

পুৰস্কাৰ পাওঁতা : কাশ্যপ বৰুৱা, আমোলাপট্টি, ডিব্ৰুগড়।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

['জানিবলগীয়া'ৰ উত্তৰ]

১। স্যাৰ আইজাক নিউটন ২। তৃতীয় ৰিচাৰ্ড পঞ্চদশ লুইছ, নাপলেয়ঁ ব'নাপাৰ্ত ৩। ফ্ল'ৰেন্স নাইটিংগেল ৪। আলেকজেণ্ডাৰ।

Printed by B. V. REDDI at Prasad Process Private Ltd., and Published by B. VISWANATHA REDDI for CHANDAMAMA CHILDREN'S TRUST FUND (Prop. of Chandamama Publications) 188, Arcot Road, Madras-600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adopting them in any manner will be dealt with according to law.

VISION 791 ASM

ৰাজুৰ সৰু ভনীয়েক মীনাৰ জন্মদিন। ৰাজুৰ কিযে স্ফূৰ্ত্তি, গাত ততেই নাই। নন্দু, বিনয়, ৰেখা, অশোক— আটাইবোৰ আহিব। সিহঁতে সুন্দৰ সুন্দৰ উপহাৰো আনিব।

ৰাজুৱে ভাবে 'কিনো উপহাৰ দিও বাবু'। সি এনে এটি উপহাৰ দিব যিটো একেবাৰে সুকীয়া, কাৰো লগত নিমিলে।

সি মাথোন ভাবে আৰু ভাবে। এনেতে হঠাৎ তাৰ মনত এটা বুদ্ধি খেলালে।

এখন মুখা, ধুনীয়া ৰঙীন মুখা। টুপিত থাকিব সেউজীয়া আঁচ, গালদুখন হব গুলপীয়া, ওঁঠ হব গাঢ় ৰঙা। এখন ডাঠকাগজত এদাল ব্ৰাছ লৈ সি সুন্দৰকৈ এখন মুখা আঁকিলে— অতি কম সময়ৰ ভিতৰতে আৰু সেইখন ভালকৈ ভাঁজ দিলে।

ৰাজুৰ উপহাৰটো পাই মীনাৰ কিযে আনন্দ। ইমানযে ৰঙীন উপহাৰ!

সকলোৱেই ৰাজুক লগতে তাৰ উপহাৰটিক শলাগিলে। ৰাজুৱে ৰং কৰিব জানিলে তোমালোকেও জানিবা।

কেমেল
ৱাটাৰ কালাৰ আৰু পোষ্টাৰ কালাৰ



কেমলিন প্ৰাঃ লিঃ
আৰ্ট মেটেৰিয়েল ডিভিজন, জে. বি. নগৰ, বোম্বাই ৪০০ ০৫৯

কেমলিন আন-ব্ৰেকেবল্ পেন্সিল নিৰ্মাতাৰ অৱদান

Results of Chandamama Camlin Colouring Contest No.38 (Assamese)

1st Prize: Sri. Ashim Baruah, Nikamul. *2nd Prize:* Shri. Bandana Bhuyan, Bargang. Rashmi Rekha Hazarika, Dibrugarh. Miss. Munni Baruah, Dibrugarh. *3rd Prize:* Sri. Nill Kinal Mohan, Moranhat. Sri. Letpal Kr. Bordoloi, Moran. Arifur Zaman, Silpukhuri. Shri. Pritom Kumar Choudhury, Gauhati-12. Sri. PapuSarmah, Jalaghat. Santana Neog, Tezpur. Pintu Baruah, Nagaon. Md. Sajid Hussain, Dibrugarh. Shri. Tapan Kr. Mahanta, Raha. Sri. Subha Nath, Nowgong.


বাবলৰ বোল-১
আহা, বাবল গাম
আনো ৰং জমাও
ইয়াকে যদি কোৱা তেন্তে এইদৰে কোৱা : প্ৰথমে বাবল ফুলোৱা তাৰ পাছত নিজৰ মুঠি তাৰ তলত থোৱা ।
খেলা-খেলিৰ মাজতে বাবল ফুৰোৱা, বন্ধুবৰ্গৰ সৈতে ৰং জমোৱা !
তুমি বাৰু বিগ ফান-এৰে বৰ বৰ বাবল ফুলাব জানানে?
প্ৰথমে বিগ ফান বাবল গাম মুখত লোৱা। যেতিয়ালৈকে ই চেপেটা হৈ নাযায়, চোবাই থাকা ।
জিভাৰে ইয়াক আগ দাঁতৰ পাছফালে হেঁচি দিয়া আৰু দাঁতৰ ফাকেৰে আগলৈ আনা ।
এতিয়া জিভাৰে হোৱা খালি ঠাইত জোৰেৰে ফু দিয়া— আৰু চোৱা...প্ৰস্তুত হ'ল কিমান ডাঙৰ বাবল ।
BIG FUN
বিগ ফান
বাবল গাম
বৰ বৰ বাবল...
অতিকে সহজ
Trikaya-GP-10.84-ASS

Come Home To Heritage.



From the publishers of Chandamama

THE
HERITAGE

It's worth preserving. Every issue of it.

For subscriptions: **DOLTON AGENCIES,** 188 N.S.K. Salai, Vadapalani, Madras - 600 026.

যিদিনা মোৰ লৰাই দন্তছিদ্ৰ আৱিষ্কাৰ কৰিলে!
"মা, মা অনিলৰ দাঁতত পোকে ধৰিছে।"
"ওহো, সেইটো নহয়। ইয়াক বোলা হয় দন্তছিদ্ৰ।"
"এৰা, মই তাকেই কব খুজিছো। মই মোৰ দাঁতবোৰ দেখুৱালো। সোৱাদভৰা, ফেনভৰা টুথপেষ্টৰ কথাও কলো।"
"ফৰহেন্স ফ্লোৰাইদ সোণকণ।"
"এৰা ঠিকেই! মই কলো, তুমি ইয়াক ভাল বুলি কোৱা, সেয়ে মই ব্যৱহাৰ কৰো। ময়ো খুউব ভালপাও!"
"সঁচাকৈয়ে ভাল! আলু মজবুত কৰে, দাঁতক দীৰ্ঘায়ু প্ৰদান কৰে।"
"ও ঠিকেইতো! বাৰু মা, অলপ চকোলেট কেক খাওনে? শোৱাৰ আগতে আকৌ ব্ৰাছ কৰিম! হবনে মা?"
ফৰহেন্স ফ্লোৰাইদ
সোৱাদ আৰু ফেনভৰা এই টুথপেষ্ট দাঁত আৰু আলু-দুয়োৰে সুৰক্ষা কৰে
FOR THE GUMS
Forhan's
with active FLUORIDE to check tooth decay
331 F 183 ASM

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026


চকোলেটৰ মজা ভৰা সকলোৰে মন হৰা!
nutrine
chocolate
Eclairs
more milk
more butter
more chocolate
কেৰামেল খোলাৰে ঢকা,
মাজত চকোলেট
nutrine Eclairs
nutrine Eclairs
ইটে প্ৰতি,
তৃপ্তি
CLARION/NC/84218
nutrine
ভাৰতৰ সৰ্বাধিক বিক্ৰী হোৱা চকোলে
নিউট্ৰিন কনফেকশ্যনেৰী কোম্পানী প্ৰাইভেট লিমিটেড, চিত্তুৰ, অ